সন্দিকৈ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ

চতুৰ্থ বৰ্ষ ■ নৱেম্বৰ -২০০৬

# উত্তৰণ

JOURNAL OF ASSAMESE DEPT., HANDIQUE GIRLS' COLLEGE


## সম্পাদনা সমিতি

**উপদেষ্টা**

ড° ইন্দিৰা বৰদলৈ, অধ্যক্ষা

শ্ৰীমহাশ্বেতা আচাৰ্য্য, বিভাগীয় প্ৰধান

**সম্পাদক**

মনজ্যোৎস্না মহন্ত গোস্বামী

**শিক্ষক সদস্য**

শ্ৰীমণিমায়া বৰদলৈ (বৰুৱা)

শ্ৰীলক্ষী হাজৰিকা

শ্ৰীকৰবী বসুমতাৰী

শ্ৰীৰুমী চৌধুৰী (অংশকালীন প্ৰবক্তা)

**ছাত্ৰী সদস্য**

শ্ৰীমৈত্ৰেয়ী শইকীয়া

সম্পাদিকা, সাহিত্য সংস্কৃতি চ'ৰা

শ্ৰীবনশ্ৰী দাস

সম্পাদিকা, "সন্দিকৈ সুবাস"

**প্ৰকাশক**

সাহিত্য সংস্কৃতি চ'ৰা

অসমীয়া বিভাগ

সন্দিকৈ ছোৱালী মহাবিদ্যালয়


## বিষয় সূচী


| | |
|---|---|
| শ্ৰদ্ধাঞ্জলি | ২ |
| মুৰব্বী অধ্যাপিকাৰ একলম...... | ৩ |
| সাক্ষাৎকাৰ | ৩ |
| দেৱকান্ত বৰুৱাৰ কাব্য প্ৰতিভা | ৪ |
| অনুবাদৰ প্ৰাসংগিকতা | ৫ |
| অসমৰ মিচিং জনগোষ্ঠী | ৬ |
| কমে'ডী | ৬ |
| চিঠি, ম'বাইল ফোন, ইন্টাৰনেট ইত্যাদি | ৭ |
| চকলং | ৮ |
| লুইতৰ চাপৰিৰ অসমীয়া গীত | ৯ |
| নাৰীৰ সবলীকৰণেই মানৱসম্পদৰ উন্নতিৰ মূল | ১০ |
| বুৰঞ্জী প্ৰখ্যাত শিৱসাগৰ | ১১ |
| সংস্কৃতিৰ এখানি কিৰণ | ১২ |
| কাৰেঙৰ লিগিৰীত 'শেৱালি' | ১২ |
| ভঙা গিলাছৰ দাম | ১৩ |
| যি মোৰ একান্তই অনুভৱ | ১৪ |
| এমুঠি কবিতা | ১৭-২০ |


## গৌৰৱ ২০০৬



স্নাতক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান পোৱা কৃতী ছাত্ৰী শ্ৰীমণিষা তালুকদাৰ

মই ২০০৩ চনত ঐতিহ্য মণ্ডিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত নামভৰ্তিৰ সুযোগ পাইছিলোঁ। অসমীয়াক গুৰু বিষয় হিচাপে লৈ ভাল ফলাফল দেখুওৱাৰ মানসেৰেই মই এইখন মহাবিদ্যালয়লৈ আহিছিলো। মহাবিদ্যালয়খনৰ সুন্দৰ শৈক্ষিক পৰিৱেশ আৰু বিভাগীয় ছাৰ-বাইদেউ সকলৰ পৰা অনবৰতে পোৱা উৎসাহ-অনুপ্ৰেৰণা আৰু সহায়-সহযোগিতাৰ বাবে মই মোৰ লক্ষ্য পূৰণত সফল হৈছোঁ। এই ছেগতে মই অসমীয়া বিভাগৰ আটাইকেইগৰাকী ছাৰ-বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অসমীয়া বিভাগৰ সাহিত্য-সংস্কৃতি চ'ৰাৰ দ্বাৰা প্ৰতি বছৰে আয়োজিত আলোচনা চক্ৰত আমি ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিলোঁ আৰু তেওঁলোকৰ বক্তৃতাৰ দ্বাৰা বাৰুকৈয়ে উপকৃত হৈছিলোঁ। এই আলোচনা চক্ৰসমূহে ছাত্ৰীসকলক গভীৰ চিন্তাৰ খোৰাক যোগাই আহিছে। তদুপৰি অসমীয়া বিভাগৰ বিভাগীয় গ্ৰন্থাগাৰৰ পৰাও আমি বিভিন্ন কিতাপ-পত্ৰ পঢ়াৰ সুবিধা লাভ কৰিছিলো। বিভাগৰ দ্বাৰা প্ৰতিবছৰে আয়োজিত সাহিত্য-সংস্কৃতিমূলক প্ৰতিযোগিতাসমূহৰ দ্বাৰাও ছাত্ৰীসকলে তেওঁলোকৰ প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰি আহিছে। এনে এটি বিভাগত তিনিবছৰ অধ্যয়ন কৰিবলৈ পোৱাটো মোৰ বাবে অতি সৌভাগ্যৰ বিষয়। এতিয়ালৈকে মই যিখিনি আগুৱালোঁ সেয়া অতি সামান্য। সেয়ে মোৰ ভৱিষ্যত জীৱনৰ বাবেও ছাৰ-বাইদেউ সকলৰ পৰা আশিষ বিছাৰিলো।

## সম্পাদকৰ একলম—

*জয়জয়তে সশ্ৰদ্ধ সেৱা জনাইছোঁ সেইগৰাকী চিৰনমস্য বিদূষী মহিলা, এইখন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা অধ্যক্ষা ৰাজবালা দাসলৈ, যি ১৯৩৯ চনতে সাহস আৰু দৃঢ়তাৰে অসমত নাৰীৰ উচ্চশিক্ষাৰ প্ৰসাৰৰ বাবে এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিলে।*

*সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বাৰ্ষিক পত্ৰিকা 'উত্তৰণ' এইবেলি চাৰিবছৰীয়া হ'ল। আগতকৈ ইয়াৰ কলেবৰো শকত হ'ল। বিভাগটোৰ ছাত্ৰীসকলৰ বিভিন্ন লিখাৰে 'উত্তৰণ' শুৱনি হোৱাটো বিভাগটোৰ বাবে এক শুভ লক্ষণ।*

*ঐতিহ্যমণ্ডিত সন্দিকৈ মহাবিদ্যালয়ৰ এক গৌৰৱোজ্জ্বল ঐতিহ্য আছে। বিদ্যায়তনিক আৰু সাহিত্য সংস্কৃতি চৰ্চা এই দুয়ো দিশতে এইখন মহাবিদ্যালয়ৰ বহু প্ৰতিভাময়ী ছাত্ৰী আজিৰ অসমৰ সামাজিক সাংস্কৃতিক ক্ষেত্ৰৰ উজ্জ্বল নক্ষত্ৰ।*

*সেই গৌৰৱোজ্জ্বল ঐতিহ্যৰ প্ৰাণৱন্ত সোঁতৰ ছন্দৰ প্ৰেৰণাৰে আজিৰ নতুন চামো অনুপ্ৰাণিত হওক আৰু 'উত্তৰণ'ৰ বুকুৰ পৰা ওলাই "লুইতৰ ৰূপালী বালিয়ে মহাভাৰতৰ বাটে" মহাসাগৰলৈ বৈ যাওক......*

*যাৰ পৰামৰ্শ আৰু লিখনি নহ'লে এইবাৰৰ 'উত্তৰণ' প্ৰকাশ সম্ভৱ নহ'লহেঁতেন, সেইসকল আমাৰ বিভাগৰ মুৰব্বী অধ্যাপিকা মহাশ্বেতা আচাৰ্য্য প্ৰমুখ্যে সৰ্বশ্ৰী মনিমায়া বৰদলৈ, লক্ষী হাজৰিকা, কৰবী বসুমতাৰী আৰু ৰুমী চৌধুৰীলৈ মই মোৰ অন্তৰভৰা কৃতজ্ঞতা আৰু অনুৰাগ জনালোঁ।*

শ্ৰদ্ধাঞ্জলি

## কবি, গীতিকাৰ আৰু সাহিত্যিক কেশৱ মহন্ত



এটা শিশুৰ জন্মদিন— পিতৃ-মাতৃ বা পৰিয়ালৰ সুখ আৰু আনন্দ আকাংক্ষাৰ ৰঙীণ দিন। এজন মহান শিল্পীৰ ওপজা দিনৰ আঁৰতো কলা-সুন্দৰ, প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ বীজ অংকুৰিত কৰাৰ চেতনা লুকাই থাকে।

স্বৰাজোত্তৰ কালৰ গীতিকাৰ সকলৰ ভিতৰত অসমত সকলোৰে পৰিচিত আন এজন মহান শিল্পীৰ নাম হ'ল— কেশৱ মহন্ত ডাঙৰীয়া। কেশৱ মহন্ত ডাঙৰীয়া আছিল এনে এজন গীতিকাৰ যাৰ গানে মানুহৰ মনত জগাই তুলিছিল অতিৰিক্ত আনন্দ।

'জয়ন্তীৰ' বুকুত কবিতা লিখি কবি জীৱন আৰম্ভ কৰা কেশৱ মহন্তই ১৯৯৩ চনত মোৰ যে কিমান হেপাঁহ গীতৰ পুথিৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰিছিল।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত কেশৱ মহন্ত ডাঙৰীয়া ভাৰতীয় কমিউনিষ্ট দলৰ সদস্য হয়। বিদ্ৰোহী কৰ্মসূচীৰ বাবে তেখেতক চৰকাৰে গ্ৰেপ্তাৰ কৰি কাৰাৰুদ্ধ কৰে। কিন্তু তেখেতৰ বিপ্লৱী সত্তা জীয়াই থাকিল। ১৯৬৫ চনৰ পাক-ভাৰত যুদ্ধৰ সময়ত 'জয় জোৱান, জয় কিষাণ' গীত ৰচি সমগ্ৰ ভাৰতবাসীক দেশপ্ৰেমৰ বাণীৰে উদ্বুদ্ধ কৰি তুলিছিল অসমৰ কেশৱ মহন্তই।

কেশৱ মহন্তৰ কবিতা আৰু গীতৰ অন্যতম বৈশিষ্ট্য হ'ল তেখেতৰ লেখনিৰ মৌলিকতা। তেখেতৰ লেখনিত আছে মাটিৰ গোন্ধ আৰু জীৱনৰ বাস্তৱতা। মানুহ হিচাপে যিদৰে তেখেত এজন সৎ, নিষ্ঠা পৰায়ণ তেখেতৰ গীত আৰু কবিতাবোৰো ঠিক তেনেদৰে সহজ-সৰল আৰু সাৱলীল। সেয়ে বোধকৰো অসমবাসীৰ হৃদয় আৰু মনত এক গভীৰ সাঁচ বহুৱাই থৈ যাব পাৰিছে তেখেতৰ অনবদ্য সৃষ্টিৰাজিয়ে।

কেশৱ মহন্ত ডাঙৰীয়াই অকল কবি গীতিকাৰ বা সু-সাহিত্যিক হৈয়ে জীৱন অতিবাহিত কৰা নাছিল। জীৱিকাৰ কাৰণে স্কুল আৰু উচ্চ শিক্ষা লাভ কৰাৰ পিছত শিক্ষকতাৰ দৰে মহান কাম কৰি থৈ গৈছে। ইয়াৰোপৰি কলিকতাৰ পৰা প্ৰকাশিত আলোচনী 'ছোভিয়েট দেশ' (অসমীয়া) আলোচনী মুখ্য সম্পাদকৰ পদ অলংকৃত কৰাৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিষয়াৰ দৰে গুৰু দায়িত্বও বহন কৰিছিল।

কিন্তু অতি দুখৰ বিষয় যে এই গৰাকী মহান প্ৰাণ যোৱা ৩০ মাৰ্চ, ২০০৬ ইং বৃহস্পতিবাৰে নিশা হঠাৎ আমাৰ মাজৰ পৰা হেৰাই গ'ল। সকলোকে কন্দুৱাই চিৰ-চিনাকি 'প্ৰিয়তম এই জীৱন'ৰ মোহ ত্যাগ কৰি 'সোণজিৰা মাহীৰ নাড়ীৰ স্ৰষ্টা, আচম্বিতে অচিনাকি সৰগৰ ঠিকনা বুটলি ল'লে কবি, সাহিত্যিক, গীতিকাৰ, সাম্যবাদী আন্দোলনৰ গুৰি ধৰোঁতা কেশৱ মহন্তই।

— *পম্পী হুজুৰী*
স্নাতক, ১ম বষ

## 'মহাৰথী'ৰ শূণ্যতাৰে শূণ্য অসমৰ হৃদয়



তেওঁ আছিল অসমীয়া সাহিত্যক্ষেত্ৰৰ এক বিশাল বটবৃক্ষ। হঠাৎ সিদিনা নিশা উভালি পৰিল। থমকি ৰ'ল স্ৰষ্টাৰ কলম, গুছি গ'ল কোনোদিনে উভতি নহা বাটেৰে। বিগত কেইবাদশক ধৰি ঐকান্তিক নিষ্ঠাৰে সাহিত্য আৰু সংবাদসেৱা কৰি অহা অসমীয়া সমাজ জীৱনত আক্ষৰিক অৰ্থতে এক মহীৰূহত পৰিণত হোৱা চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু নাই। যোৱা আঠ (৮) আগষ্টৰ নিশা ৮ বাজি ১০ মিনিটত গুৱাহাটী মহানগৰী ইণ্টাৰনেচনেল হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰে।

১৯২৭ চনৰ ৮ জুলাইত শিৱসাগৰ জিলাৰ আমগুৰিত জন্ম গ্ৰহণ কৰা শইকীয়াদেৱে ১৯৪৫ চনত সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫০ চনত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা শইকীয়াদেৱে ১৯৫৪চনত কলকাতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম. এ. পাছ কৰে। ১৯৫৫ চনত 'দা আছাম ট্ৰিবিউন' কাকতৰ উপ-সম্পাদকৰূপে কৰ্মজীৱন আৰম্ভ কৰে। সাংবাদিকতাৰ যোগেদি স্বদেশ-স্বজাতিৰ মংগল সাধনকে নিজৰ ব্ৰত কৰি লোৱা শইকীয়াদেৱে ১৯৬৩ চনত 'অসম বাতৰি' নামৰ তিনিদিনীয়া কাকত এখনৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। একে সময়তে অৰ্থাৎ ১৯৬৪ চনৰ পৰা 'মণিদীপ' নামৰ আলোচনীখনৰো সম্পাদকৰ দায়িত্ব বহন কৰিছিল। ইয়াৰ উপৰিও অসমীয়া আৰু 'প্ৰকাশ' নামৰ দুখন বিখ্যাত সাহিত্যালোচনী সম্পাদনা কৰি অসমীয়া সাহিত্য সংবাদ জগতলৈ অবিস্মৰণীয় বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছিল। ১৯৬৭ চনৰ পৰা ১৯৮৬ চনলৈ অসম প্ৰকাশন পৰিষদৰ সচিবৰ দায়িত্বত থাকি শইকীয়াদেৱে অনুষ্ঠানটোক বিশেষ গতি প্ৰদান কৰিছিল। এক স্বৰ্ণমণ্ডিত অধ্যায় পাৰ কৰা সময়তেই তেওঁৰ আন এক অভিনৱ পৰিকল্পনা আৰু সুদক্ষ নেতৃত্বৰে ফচল আছিল গুৱাহাটী গ্ৰন্থমেলা।

ভালেমান দুৰ্লভ পুৰস্কাৰেৰে বিভূষিত হোৱা চন্দ্ৰপ্ৰসাদ শইকীয়াই ১৯৯৯ চনত অসম সাহিত্য সভাৰ হাজোৰ অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। দুবছৰীয়া কাৰ্যকালৰ বাবে সাহিত্য সভাৰ সভাপতিৰ দায়িত্ব পোৱা শইকীয়াদেৱেই আছিল প্ৰথম গৰাকী সাহিত্যিক ১৯৯৫ চনত 'মহাৰথী' উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে। ২০০২ চনত লাভ কৰে সন্মানীয় অসম উপত্যকা সাহিত্য বঁটা। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আধাৰিত উপন্যাস 'তোৰে মোৰে আলোকৰে যাত্ৰা' বাবে তেওঁ অসম প্ৰকাশন পৰিষদ বঁটাও লাভ কৰে। তেওঁৰ বিখ্যাত গল্প সংকলনৰ ভিতৰত অন্যতম 'মায়ামৃগ', নাচপতি ফুল,' 'চক্ৰবৎ, অংগীকাৰ,'। উপন্যাস ৰাজিৰ ভিতৰত 'এদিন', 'মেঘমল্লাৰ, 'মন্দাক্ৰান্তা', 'সুৰ্য-স্নান', 'উত্তৰকাল,' 'জন্মান্তৰ,' 'মহাৰথী,' আদি। সম্পাদক হিচাপে আজিৰ প্ৰজন্মৰ বহু লেখকৰ বাবে আত্মপ্ৰকাশৰ বাট মুকলি কৰি দিয়া, অভিভাৱকস্বৰূপ শইকীয়াদেৱৰ মৃত্যু অসমীয়া জাতীয় জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

— *সংগীতা ৰাজখোৱা*
স্নাতক, ৩য় বৰ্ষ, অসমীয়া বিভাগ

## মুৰব্বী অধ্যাপিকাৰ একলম......

*—মহাশ্বেতা আচাৰ্য*

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ'সাহিত্য-সংস্কৃতি চ'ৰাৰ দ্বাৰা প্ৰকাশিত 'উত্তৰণ' পত্ৰিকা খনিৰ চতুৰ্থ বৰ্ষপূৰ্ত্তিৰ শুভক্ষণত বিভাগীয় ছাত্ৰী তথা প্ৰবক্তাসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। কাৰণ তেওঁলোকৰ উদ্যম আৰু আগ্ৰহ অবিহনে 'উত্তৰণ'ৰ ধাৰাবাহিকতা ৰক্ষা কৰা সম্ভৱপৰ নহ'লহেঁতেন। এয়া এক শুভ লক্ষণ যে আমাৰ ছাত্ৰীসকলৰ মাজত সাহিত্য-সৃষ্টিৰ আগ্ৰহ ক্ৰমাগত ভাবে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

স্ত্ৰীশিক্ষাৰ প্ৰতিষ্ঠান সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এটি গৌৰৱোজ্জ্বল ইতিহাস আছে। এই ইতিহাসত অসমৰ কেইবাগৰাকী স্বনামধন্যা প্ৰতিশালী মহিলাৰ নাম অন্তভূৰ্ক্ত হৈছে। তেখেতসকল হ'ল শ্ৰীযুতা প্ৰীতি বৰুৱা, প্ৰয়াত ড° নিৰ্মল প্ৰভা বৰদলৈ, ড° অনিমা ভৰালী। এইবিভাগৰ পৰাই তেখেতসকলে স্নাতক পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে অসমীয়া সাহিত্যলৈকো অমূল্য অৱদান আগ বঢ়াইছে। তেখেতসকলৰ ময়ুৰাক্ষি বৰুৱা আৰু ববিতা বৰ্মনেও স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰি বিভাগলৈ যশস্যা কঢ়িয়াই আনিছে। ২০০৫ চনত বিনীতা চহৰীয়া আৰু ললিতা গোস্বামীয়ে স্নাতক চুড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ তৃতীয় আৰু চতুৰ্থ স্থান লাভ কৰি অসমীয়া বিভাগৰ গৌৰৱ বৃদ্ধি কৰিলে। এই বছৰো অৰ্থাৎ ২০০৬ চনতো মণিষা তালুকদাৰে এই বিভাগৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান লাভ কৰি এই বিভাগৰ সাফল্যৰ ধাৰা অব্যাহত ৰাখে। এনেদৰে একেৰাহে দুটা বছৰ অসমীয়া বিভাগৰ পৰা প্ৰথম শ্ৰেণী পোৱাৰ উদাহৰণ আগতে নাছিল। এই সকল কৃতী ছাত্ৰীয়ে অসমীয়া বিভাগৰ গৌৰৱ আৰু ঐতিহ্য অক্ষুন্ন ৰখাৰ লগতে বিভাগীয় অধ্যাপক-অধ্যাপিকা সকলকো এই গৌৰৱৰ অংশীদাৰ কৰিছে। আহিব লগীয়া বছৰবোৰতো আমাৰ ছাত্ৰীসকলৰ পৰা উন্নত মানৰ ফলাফল পাবলৈ আশা ৰাখিছোঁ।

সময়ৰ অগ্ৰগতিয়ে সন্দিকৈ মহাবিদ্যালয়ৰ লগতে অসমীয়া বিভাগলৈকো পৰিবৰ্ত্তন আনিছে। আমাৰ পূৰ্ব্বৰ শিক্ষাগুৰু সকলে সময়ৰ তাগিদাত অৱসৰ গ্ৰহণ কৰি। আঁতৰি গ'লেও তেখেতসকলৰ ঐকান্তিক দায়বদ্ধতা, পৰিশ্ৰম আৰু দূৰদৰ্শী সিদ্ধান্তই এই বিভাগক গতিশীলতা প্ৰদান কৰি গৈছে। তেখেতসকলৰ অবদানক শ্ৰদ্ধাৰে সুঁৱৰি তেখেতসকলে দেখুৱাই যোৱা বাটেৰে আমাৰ বৰ্ত্তমানৰ অধ্যাপক অধ্যাপিকাসকল আগবাঢ়ি যাব লাগিব। তেতিয়াহে এই বিভাগৰ উন্নতি তথা গৌৰৱ বাঢ়িব।

এই বিভাগৰ সতে বহুবছৰ জড়িত হৈ থকাৰ পিছত আমাৰো অৱসৰ গ্ৰহণৰ সময় সমাগত হৈছেহি। বিগত সময়ছোৱাত আমাৰ সেৱাই ছাত্ৰীসকলক কিমানখিনি উপকৃত কৰিলে সেয়া তেওঁলোকেহে ক'ব পাৰিব। তথাপি এই বিভাগৰ এগৰাকী অধ্যাপিকা হোৱাৰ গৌৰৱ মোৰ সদায় থাকিব

এই বছৰৰ 'উত্তৰণ'ত প্ৰকাশৰ বাবে যিসকল ছাত্ৰী আৰু প্ৰবক্তাই লেখা আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। 'উত্তৰণ'ৰ সম্পাদিকা মনজ্যোৎস্না গোস্বামীলৈকো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'উত্তৰণ'ৰ গতি অনিৰুদ্ধ হওক। এই কামনাৰে।

## সাক্ষাৎকাৰ

২১ নবেম্বৰ! গোমা আকাশত এজাক বৰষুণৰ আগজাননী। ওৰণিৰ ফাঁকেৰে চকা-মকা কৈ দেখা ন-কইনাৰ মুখৰ দৰে সূৰ্যটো ডাঠ ক'লা ডাৱৰৰ মাজে মাজে ওলাই আকৌ নোহোৱা হৈ পৰিল। চেঁচা, সেমেকা বতাহজাকে লৈ আহিলে শীতৰ আগমনৰ বতৰা। দিনৰ ১২-৩০ বজাত আমি গৈ 'স্নেহ তীৰ্থ'ত উপস্থিত হ'লো। 'কলিং বেল' বজোৱাৰ লগে লগেই দুৱাৰ খোল খালে। এয়া আমাৰ সন্মুখত অসমৰ কবিতা জগতৰ এক উজ্জ্বল নক্ষত্ৰ কবি হীৰেণ ভট্টাচাৰ্য।



আগতীয়াকৈ অনুমতি লোৱা নাছিলো যদিও হীৰেণ ভট্টাচাৰ্যচাৰক কৈছিলো আমি দুআষাৰ কথা পাতিবলৈ যাম বুলি। সেইমতে কথাৰ পাতনি মেলিলো 'সুগন্ধি পখিলা, শস্য পথাৰ আৰু মানুহ সুগন্ধি শিপা' আদিকে কৰি কেইবাখনো কবিতা পুথিৰ স্ৰষ্টা কবি হীৰেণ ভট্টাচাৰ্যৰ লগত। প্ৰথমে কিছু ঘৰুৱা কথাৰ পাছত নিজৰ প্ৰস্তুতি অনুসাৰে তেখেতৰ কিছু কথাৰ উমান ল'লো। তেখেতৰ হৃদয়ৰ বতৰা এয়া আপোনাসৱৰ আগত প্ৰকাশ কৰাৰ চেষ্টা কৰা হ'ল—

১। আপোনাৰ শৈশৱ, কৈশোৰ, যৌৱন তথা শিক্ষা জীৱনৰ বিষয়ে কওকচোন?

— মোৰ জন্ম যোৰহাট জিলাত। কিন্তু মই শিক্ষা আৰম্ভ কৰিলো ডিব্ৰুগড় জিলাতহে। বাকী শৈশৱ, কৈশোৰ আৰু যৌৱনৰ সময়বোৰ যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তেজপুৰ আদি বিভিন্ন ঠাইত পাৰ হ'ল।

২। আপুনি কবিতা লিখিবলৈ কেতিয়াৰ পৰা আৰম্ভ কৰিছিল?

— মই কবিতা লিখিবলৈ বহুত দেৰিকৈ আৰম্ভ কৰিছিলো। ঠিক কেতিয়াৰ পৰা ক'ব নোৱাৰো কিন্তু দেৰিকৈ আৰম্ভ কৰিছিলো।

৩। আপোনাৰ প্ৰিয় কবি কোন আৰু প্ৰিয় কবিতা কোনটো?

— মই বহুতৰে লেখা পঢ়িছো, আচলতে কি জানা আমি কোনেও নিৰ্দিষ্ট কৈ এজনক প্ৰিয় বুলি ক'ব নোৱাৰো। মাত্ৰ ক'ব পাৰো আমুকৰ লেখা ভাল লাগে বুলি........।

৪। আপোনাৰ স্বৰচিত কবিতাবোৰৰ ভিতৰত কোনটো আপোনাৰ আটাইতকৈ প্ৰিয়? কোনটো কবিতা আপোনাৰ মনলৈ প্ৰায়ে আহি থাকে?

— শেষত লিখা কবিতাটোৱে সদায় মোৰ প্ৰিয়স্থানত থাকে।

৫। আপোনাৰ কবিতাত দেশ প্ৰেমৰ স্বতঃস্ফূৰ্ত প্ৰকাশ দেখা যায়— এই ক্ষেত্ৰত আপোনাৰ কিবা বিশেষ আদৰ্শ আছে নেকি?

— বিশেষ আদৰ্শ মানে মই সৰুৰে পৰা বিভিন্ন সংঘৰ লগত আৰু সমাজসেৱাৰ লগত জড়িত আছিলো। বহুকেইজন মহান ব্যক্তিকো লগ পাইছিলো। বিশেষকৈ বিষ্ণুৰাভাৰ কথা ন'কৈ নোৱাৰো। তেওঁ আমাৰ ওচৰতে আছিল যে সেয়ে বহুত বাৰ তেওঁক লগ পাইছিলো। এইবোৰকে লৈ লিখোঁ আৰু তাৰোপৰি প্ৰত্যক মানুহৰ মনতে স্বদেশ প্ৰেম কিছুপৰিমাণে থাকেই।

৬। আপোনাৰ কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্পবোৰ আপুনি ক'ৰ পৰা সংগ্ৰহ কৰে।

— প্ৰতীক- চিত্ৰকল্পবোৰৰ তেনেকৈ বিশেষ উৎস নাই। মোৰ কবিতাত গছ গছেই, ফুল ফুলেই।

৭। আপুনি আপোনাৰ কবিতাত শস্যক জীৱনীশক্তি হিচাপে ব্যৱহাৰ কৰিছে।— এই ক্ষেত্ৰত আপুনি কি কয়?

— শস্য, পথাৰ এইবোৰ মই ভালপাওঁ। মই আচলতে গাঁওবোৰো বৰ ভাল পাওঁ। আমাৰ দেশততো প্ৰায় সত্তৰ শতাংশ লোকেই খেতি কৰে ; সেইসকলৰ প্ৰতি মোৰ এটা বিশেষ আকৰ্ষণ আছে। তাৰোপৰি গাঁৱত হোৱা লাউ, বেঙেনা আদি বিভিন্ন পাচলিৰ লগতে বিভিন্ন সেউজীয়া শাক মোৰ দেখিয়ে ভাল লাগে। শাওনৰ পলসুৱা পথাৰ, আঘোনৰ সোনোৱালী ধান এইবোৰৰ প্ৰতি মোৰ এক আচৰিত ধৰণৰ টান আছে। সেয়াই আৰু লেখাৰ উৎস......।

৮। আপুনি লিখিছে—

'মৃত্যুওতো এটা শিল্প.........

মৃত্যু জানো সঁচাকৈয়ে শিল্প হ'ব পাৰে?

— মই মৃত্যুক আন শিল্পৰ মাজৰ এটাহে বুলিছো। 'মৃত্যুও- তো এটা শিল্প।" মৃত্যু কেতিয়াবা কেতিয়াবা শিল্প হয়। যেনে ধৰা মহাত্মা গান্ধীৰ মৃত্যু ঃ তেওঁ স্বাধীন ভাৰতৰ প্ৰথম শ্বহীদ আছিল।

শ্ৰদ্ধাৰে হীৰেণ ভট্টাচাৰ্য চাৰক ধন্যবাদ তথা বিদায় জনাই সেমেকা শীতৰ আবেলিটোত আমি উভতি আহিলো। আমাৰ মনৰ গভীৰত কবিতাৰ গুণ গুণনি—

*বালি চাপৰিত উমলি আছে মোৰ ভালপোৱা*
*পিঠিত দীঘল দিনৰ ৰ'দৰ শোভা......*

সাক্ষাৎ গ্ৰহণ কাৰী—

শ্ৰীমৈত্ৰেয়ী শইকীয়া
শ্ৰীবনশ্ৰী দাস
শ্ৰীডলিতা কলিতা
শ্ৰীধীৰা দাস

ওওও

## দেৱকান্ত বৰুৱাৰ কাব্য প্ৰতিভা

*— মণিমায়া বৰদলৈ*
প্ৰবক্তা, অসমীয়া বিভাগ

অসমীয়া কাব্য সাহিত্যত এখন কবিতাপুথি লিখিয়েই কবিৰূপে প্ৰসিদ্ধি লাভ কৰা একমাত্ৰ কবিজন হ'ল দেৱকান্ত বৰুৱা। 'সাগৰ দেখিছা' তেওঁৰ একমাত্ৰ কবিতা পুথি।

দেৱকান্ত বৰুৱা নৱন্যাসিক স্তৰৰ শেষ ভাগৰ আৰু আধুনিক কাব্যধাৰাৰ প্ৰথম তৰংগৰ কবি। তেওঁৰ এটা ভৰি ৰোমাণ্টিক কবিতাৰ শেষৰটো ঢাপ আৰু আনটো ঢাপত অৰ্থাৎ তেওঁক সন্ধিক্ষণৰ বা যুগ সন্ধিৰ কবি বুলি কোৱা হয়। নিজস্ব বৈশিষ্ট্যই তেওঁৰ কবিতাত চমকপ্ৰদ ভংগিমাৰ সৃষ্টি কৰিছে।

*শুনা নাই? শুনা নাই মোৰ সাগৰত তুমি ধুমুহাৰ*
*উতলা সংগীত?*
*বুজা নাই? অনুভৱো কৰা নাই ফুলনিত বসন্তৰ*
*কোমল ইংগিত?*

দেৱকান্ত বৰুৱাৰ কবিতাত ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনৰ নাটকীয় আসক্তিৰ পয়োভৰ দেখা যায়। কবিতাত প্ৰশ্নকৰ্তাৰ ভূমিকা লয় তেওঁ নিজেই অৰ্থাৎ কবিতাৰ সংলাপৰ জৰিয়তে। কবি দেৱকান্তৰ কবিতাৰ বিষয়বস্তু প্ৰেম আৰু স্বদেশানুৰাগ। তেওঁৰ কবিতাত প্ৰতিফলিত হোৱা প্ৰেমৰ পয়োভৰৰ বাবে কোনো কোনোৱে তেওঁক প্ৰণয় কবি দেৱকান্ত অথবা প্ৰেমিক দেৱকান্ত ৰূপে আখ্যা দিছে। কবি দেৱকান্তৰ মতে প্ৰেম মন আৰু দেহৰ যুগল বন্দনা। প্ৰিয়াৰ শাৰীৰিক সৌন্দৰ্যত তেওঁ অনিৰ্বচনীয় ৰূপ অনুভৱ কৰিছে। কবি বৰুৱাৰ কবিতাত পৌৰুষত্বৰ অহংকাৰ আছে। ভগা হিয়াক লৈ গৌৰৱ কৰা কবিতা খুব কম কবিৰহে আছে। সাগৰ দেখিছা কবিৰ সেই ক্ষমতা অথবা অংহকাৰ আছে। সেই প্ৰেমিকাক তেওঁ নাপালেও গৌৰৱেৰে ক'ব পাৰিছে 'প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা! হিয়াত তোমাৰ'। তেওঁৰ হৃদয়ৰ ৰাণী, মনোৰমা অথবা লাহৰী চিৰ জীৱনৰ বাবে কাৰোবাৰ পদুলি-চোতাল গছকি এঘৰৰ ঘৰ শুৱনি কৰিবলৈ ওলালেও তাত তেওঁৰ আক্ষেপ নাই। সেয়ে কলংপাৰত তেওঁ এতিয়াই যাবা ঘৰলৈ কেনেবাকৈ যদি কোনোবাই সাৰ পায়? এনে দশ নিশা তুমি যাবা তোমাৰ বাটেদি, মই যাম মোৰ বাটে বাটে।'

দুদিনীয়া জীৱনত ক্ষন্তেকৰ বাবে কবিয়ে যি পাইছে তাতেই তেওঁ সন্তুষ্ট। বিৰহৰ বাবে কবিৰ খেদ নাই। কবিতাক তেওঁৰ ভাৱৰ ৰহনেৰে বোলাই তুলিছে—

*তুমি মোক পাহৰি পেলাবা ; মোৰ দোষ, মোৰ গুণ, হায়*
*মোৰ ভাল পোৱা,*
*পাহৰিবা তুমি সখি আজিৰ নিশাৰ স্মৃতি, পাহৰিবা*
*তুমি মোৰ হোৱা।*

কবি মাটিৰ মানুহ, মাটিৰ মানুহ হৈ পাৰ্থিৱ অথবা দেহজ বাসনাক লৈ তেওঁ কবিতা ৰচনা কৰা নাই। সমাজৰ ৰঙা চকুৰ চাৱনিলৈ কবিৰ

শংকা আছে যদিও সেই শংকাক তেওঁ প্ৰশ্ৰয় দিয়া নাই, বৰঞ্চ এখন্তেকৰ বাবে তেওঁৰ হিয়াৰ বাণীৰ ওঁঠতে ওঁঠ মিলাই যি স্বৰ্গীয় সুখ উপভোগ কৰিছে সেই অনুভূতি তেওঁৰ মানস পটত সদায় অম্লান হৈ ৰ'ব।

প্ৰণয় কবি দেৱকান্তৰ কবিতাৰ আনটো ধাৰা হ'ল— দীপ্ত স্বদেশানুৰাগ। দেশপ্ৰেমৰ উত্তাল ঢৌৱে তেওঁৰ কাব্য প্ৰতিভাক চিৰ উজ্জ্বল কৰি ৰাখিছে।

মাত্ৰ এখন কবিতা পুথিৰে অসমীয়া কাব্য সাহিত্যৰ বুৰঞ্জীত নিজৰ নাম জিলিকাই ৰাখিবলৈ সক্ষম হোৱা কবি দেৱকান্ত বৰুৱাৰ আগলৈকে অসমীয়া কবিতাত শাৰীৰিক বৰ্ণনা অথবা নাৰীৰ শাৰীৰিক সৌন্দৰ্যক নান্দনিক দৃষ্টিভঙ্গীৰে পৰ্যবেক্ষণ কৰাৰ চানেকি দেখিবলৈ পোৱা নাযায়।

মানুহ ৰক্ত মাংসৰে গঠিত। গতিকে মানুহে পাৰ্থিৱ কামনাক সাধাৰণতে উলাই কৰিব নোৱাৰে। সেই অনুৰূপে কবিয়েও এজন সাধাৰণ মানুহ হৈ ভগ্ন হৃদয়ৰ গৰাকী হৈও তেওঁৰ প্ৰেমক অন্য এক আয়তন দিছে।

অসমীয়া কাব্য সাহিত্যত প্ৰেমৰ প্ৰকাশ নতুন নহয়। ৰোমান্তিক কাব্য সাহিত্যত যতীন্দ্ৰ নাথ দুৱৰা, গনেশ গগৈ আদিয়েও প্ৰেম তথা ভগ্ন হিয়াক কবিতাৰ বিষয়বস্তু কৰি লৈছিল, কিন্তু বনফুলৰ কবিৰ দৰে ব্যৰ্থতা-নিৰাশা আৰু পাপৰিৰ কবিৰ দৰে হিয়াৰ তেজেৰে কবিতাত ৰহন নাসানি প্ৰণয় কবি দেৱকান্তই তেওঁৰ মনোৰমা আৰু তেওঁৰ ..... প্ৰেমক অন্য দৃষ্টিৰে চাবলৈ প্ৰয়াস কৰিছে।

*ঢুকিয়ে নোপোৱা দীপ্তি নিবিচাৰোঁ মই আকাশৰ*
*দূৰণি তৰাৰ ;*
*এগছি মাটিৰ চাকি,— সেয়ে হ'ব মোৰ, আঁতৰাব*
*নিশাৰ এন্ধাৰ।*

এই গৰাকী কবিয়ে পিছলৈ কাব্য ধাৰাক অব্যাহত ৰখাহেঁতেন, অসমীয়া কাব্য প্ৰেমী সমাজে অনেক সুন্দৰ তথা অভিনৱ কবিতাৰ পাঠ পালেহেঁতেন। কবি দেৱকান্ত বৰুৱা পিছলৈ ৰাজনৈতিক ক্ষেত্ৰলৈ অহাত কাব্য চৰ্চা স্তিমিত হ'বলৈ ধৰে আৰু কবি হিচাপে তেওঁৰ পৰিচয় মাত্ৰ এখন কবিতা পুথিতেই আৱদ্ধ হৈ থাকিব লগা হয়। এখন কবিতা পুথিৰেই অসমীয়া কবিতাৰ আকাশখন উজলাই তেওঁ উজ্জ্বল সাক্ষৰ বহন কৰি আহিছে।

৫৫৫

## অনুবাদৰ প্ৰাসংগিকতা

— *ৰুমী চৌধুৰী*
অতিথি অধ্যাপিকা, অসমীয়া বিভাগ

মানুহ সামাজিক প্ৰাণী। আজিৰ মানৱ সমাজে নিজৰ লগতে সমাজৰ ৰাজনৈতিক তথা সাংস্কৃতিক বিকাশৰ হেতু মাতৃভাষাৰ বাহিৰেও অন্য ভাষাৰ বাংময় ৰূপটোক আত্মসাৎ কৰি সমস্ত সংসাৰত নিজকে, সমাজক তথা ৰাষ্ট্ৰক উচ্চতম স্থানত চাব বিচাৰে। ইয়াৰ বাবে ব্যক্তিক অন্য ভাষাৰ জ্ঞানৰ আৱশ্যক হয়, কিন্তু এজন ব্যক্তিয়ে তেওঁৰ সমস্ত জীৱনটোত দুই চাৰিটা ভাষাৰ বাহিৰে পৃথিৱীৰ সকলোবোৰ ভাষা জনাটো অসম্ভৱ। ভাষাই জ্ঞান আহৰণৰ ক্ষেত্ৰত বাধক হৈ পৰে। এই বাধা দূৰ কৰে অনুবাদে।

অনুবাদৰ শাব্দিক অৰ্থ হল পুনঃকথন-কৈ যোৱা কথাষাৰ অন্য ভাষাত পুনৰ কোৱা। অৰ্থাৎ লিখিত অথবা মৌখিক কথনক এটা ভাষাৰ পৰা আন এটা ভাষালৈ অৰ্থৰ সলনি নঘটোৱাকৈ কৰা ৰূপান্তৰণেই অনুবাদ। বৰ্তমান যুগত অনুবাদক পুনঃসৃজন বুলি কোৱা হয়। কোনোৱে অনুবাদক কলা, কোনোৱে বিজ্ঞান তথা কোনোৱে কৌশল বুলি কয় যদিও প্ৰকৃততে অনুবাদ এই তিনিওটাৰে সংমিশ্ৰণ।

অনুবাদৰ ক্ষেত্ৰখন যথেষ্ট বিস্তৃত। প্ৰাচীন কালৰে পৰা সাহিত্যিক, দাৰ্শনিক ৰচনাৰ দ্বাৰা দেশ-বিদেশৰ সভ্যতা, সংস্কৃতি, ধৰ্ম তথা জীৱন- দৰ্শনৰ সৈতে সাক্ষাৎ কৰোৱাটো অনুবাদৰ লক্ষ্য আছিল। অনুবাদৰ সৰ্বপ্ৰথম নিদৰ্শন তিনিহাজাৰ খ্ৰীঃপূঃত প্ৰাচীন মিছৰ দেশত পোৱা গৈছিল। প্ৰাচীন কালত অনুবাদৰ প্ৰধান উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কৰা। সময়ৰ লগে লগে আমাৰ আৱশ্যকতা বাঢ়িল, দেশ-বিদেশৰ সৈতে সম্পৰ্ক বাঢ়িল। বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু উদ্যোগিক ক্ষেত্ৰৰ প্ৰচাৰ-প্ৰসাৰে অনুবাদৰ ক্ষেত্ৰখন বিশাল কৰি তুলিলে। চৰকাৰী কাৰ্যালয়, বানিজ্যিক সংস্থান, ব্যক্তিগত প্ৰতিষ্ঠান সকলোতে অনুবাদ অত্যাৱশ্যকীয় হৈ পৰিল। সাংবাদিকতা, চলচ্চিত্ৰ, দূৰদৰ্শন, আকাশবাণী আদি সম্প্ৰসাৰণৰ আধুনিকতম মাধ্যমে অনুবাদৰ মহত্বক অধিকতম কৰি তুলিলে। বিভিন্ন ভাষা-ভাষী তথা দেশ-বিদেশৰ সৈতে সংবাদ স্থাপন অনুবাদৰ দ্বাৰাহে সম্ভৱ। আন্তঃৰাষ্ট্ৰীয় সন্মিলনত এখন দেশৰ নেতা, বিদ্বান, বৈজ্ঞানিক আদিয়ে আন দেশৰলোকৰ সৈতে অনুবাদৰ জৰিয়তেহে মনৰ ভাৱ ব্যক্ত কৰে। এই কাম দোভাষীয়ে কৰে। আনহাতে আন্তঃৰাষ্ট্ৰীয় সাহিত্যকাৰ টলষ্টয়, শ্বেক্সপিয়াৰ, কামু, ব্ৰেখ্‌ট, পাৱলো নেৰুদা আদিৰ সাহিত্যৰ সৈতে অনুবাদৰ দ্বাৰাহে আমি পৰিচিত হ'বলৈ পাইছো।

ভাৰতবৰ্ষ এখন বহুভাষী দেশ। ৰবীন্দ্ৰনাথ ঠাকুৰে ভাৰতবৰ্ষখনক 'মহামানৱৰ সমুদ্ৰ' বুলি কৈ গৈছে। মানুহে মাতৃভাষাৰ সাহিত্যৰ সৈতে সন্তুষ্ট নহয়। তেওঁ ভিন্ন সমাজৰ সংস্কৃতি, পৰম্পৰা তথা দোষ-গুণৰ সৈতে পৰিচিত হ'বলৈ বিচাৰে। এই কাৰ্য বিভিন্ন ভাষাৰ সাহিত্যৰ অনুবাদৰ দ্বাৰাহে কৰিব পাৰি আৰু ইয়ে ৰাষ্ট্ৰীয় একতা সুদৃঢ় কৰি ৰখাৰ ক্ষেত্ৰতো সহায় কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎচন্দ্ৰ বন্দোপাধ্যায়, বল্লতোল (মালায়লম), পোটনা (তামিল), শংকৰদেৱ, বিজয় তেন্দুলকাৰ (মাৰাঠী) আদি মনিষীসকলৰ সাহিত্যকৃতিৰ ৰস আমি অনুবাদৰ জৰিয়তেহে আস্বাদন কৰিব পাৰোহঁক।

অনুবাদ কেৱল মাত্ৰ সাহিত্যিক কাৰ্যই নহয়, বৰঞ্চ ই জীৱনৰ বহুমুখী শিক্ষা প্ৰণালীৰ সক্ৰিয় সাধনৰ ৰূপত আত্ম প্ৰকাশ কৰিছে। প্ৰশাসন, চিকিৎসা, কলা, প্ৰতিৰক্ষা, আইন, বিজ্ঞান-প্ৰযুক্তিবিদ্যা, ভাষা অধ্যয়ন গৱেষণা আদি সকলো ক্ষেত্ৰতে অনুবাদ অবিহনে জ্ঞান আহৰণ কৰিব নোৱাৰি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সাহিত্যৰ

সৃষ্টিৰ ক্ষেত্ৰত জাৰ্মান, ফ্ৰান্স, ৰুচ, জাপানী ভাষাই উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। অধিকাংশ ভাষাৰ পৰা এনে সাহিত্য ভাৰতীয় ভাষালৈ অনুবাদ কৰি ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া হয়।

আজি অনুবাদ এক ব্যৱসায় ৰূপত পল্লৱিত হৈছে। হাজাৰ হাজাৰ লোক চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ন্যায়ালয়, শিক্ষা, জ্ঞান-বিজ্ঞানৰ বিভন্ন শাখাত অনুবাদক ৰূপে কৰ্মসংস্থান লাভ কৰি আহিছে।

শেষত আমি ক'ব পাৰো যে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত, প্ৰতিটো খোজতে অনুবাদ অপৰিহাৰ্য। অনুবাদ অবিহনে ব্যস্ত আধুনিক জীৱনৰ কল্পনা কৰিব নোৱাৰি। অনুবাদৰ কৰ্মৰ ব্যাপকতাই বিভিন্ন ৰাষ্ট্ৰৰ সংস্কৃতি, সমস্যা তথা অনুভূতিৰ ভৌগোলিক সীমা ভাঙি ইজনে সিজনৰ ওচৰ চপাত মহত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশ্বৰ দৰবাৰত নিজকে চিনাকি দিবলৈ অনুবাদেই একমাত্ৰ সমল।

৫৫৫

## অসমৰ মিচিং জনগোষ্ঠী

*শ্ৰীনন্দিতা মিশ্ৰ*

স্নাতক তৃতীয় বষ

মিচিং জনগোষ্ঠী বৃহৎ মংগোলীয় গোষ্ঠীৰ এক অংশ বিশেষ। মিচিংসকল বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা জনজাতি। মিৰিসকলে নিজকে মিচিং বুলি পৰিচয় দিয়ে। বৰ্তমান মিচিংসকল সদিয়াৰ পৰা তেজপুৰলৈ বিয়পি আছে।

মিচিংসমাজ গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰে নিয়ন্ত্ৰিত। একোখন গাঁৱত একোজনকৈ গাম বা গাঁওবুঢ়া থাকে। তেওঁৰ নিৰ্দেশ মতে গাঁৱৰ মেল, সমাজব্যৱস্থা আদি পৰিচালিত হয়। গাৱঁত হাই কাজিয়া হ'লে ডেকা গাভৰু গোট খায়। তেওঁলোকৰ মাজত 'মুৰংঘৰ' আছে। ডেকা গাভৰুসকলে গাঁৱৰ আকস্মিক দুৰ্ঘটনা, যুদ্ধ বিগ্ৰহ আদিৰ বাবে সদায় প্ৰস্তুত হ'ব পৰাকৈ নিজৰ ঘৰত নাথাকি গাঁৱৰ এটা ডমৈতীয়া ঘৰত থকাৰ নীতি আছে। তেনে ৰাজহুৱা ঘৰকে 'মুৰংঘৰ' বোলে।

কৃষি মিচিংসকলৰ প্ৰধান জীৱিকা। জুম প্ৰণালীৰে তেওঁলোকে পূৰ্বতে খেতি কৰিছিল। বৰ্তমান উৰ্বৰা মাটিৰ অভাৱত আৰু বন কাটি জুই দি কৰা জুম খেতি কষ্টকৰ হোৱা বাবে বেছিভাগ শালি খেতিয়েই কৰা দেখা যায়। এইবোৰৰ উপৰিও আলু, কচু, আদা, বেঙেনা আদিৰ খেতি কৰে। কৃষি কৰ্মৰ লগতে আজৰি পৰত সমূহীয়া বা গাইগুটীয়াকৈ মাছ মাৰে।

মিচিংসকলৰ প্ৰধান উৎসৱ হৈছে 'আলি-আই-লৃগাং'। নতুন শস্য ৰোপনৰ বাবে ফাগুন মাহৰ প্ৰথম বুধবাৰে পৃথিৱী মাতৃ আৰু পূৰ্ব পুৰুষসকলক সোঁৱৰণ কৰি এই উৎসৱ পতা হয়। 'পৰাগ' আন এটি তেওঁলোকৰ কৃষি উৎসৱ। সাধাৰণতে খেতিবাতি চপোৱাৰ পাছত গাঁৱৰ ডেকা গাবৰুসকলে ৰাইজৰ সহযোগত বসুমতী মাতৃ আৰু পূৰ্বসকলৰ মংগল কামনা কৰি কৰি এই উৎসৱ উদ্‌যাপন কৰে। মিচিংসকলৰ পূজা— পাতলৰ ভিতৰত 'দবুৰ্' পূজা উল্লেখ যোগ্য। দবুৰ্ পূজা কেইবাবিধো— খেতিবাতি, ঘৰৰ অপায়-অমংগল, সমূহীয়া অপায় অমংগলৰ বাবে দবুৰ্ পূজা কৰা হয়। এই পূজাৰ সময়ত গাৱঁৰ বাহিৰৰ লোক উক্ত গাৱঁত প্ৰৱেশ কৰা নিষেধ।

মিচিংসকল অতিশয় নৃত্য-গীত প্ৰিয়। মিচিংসকলৰ নৃত্য-গীতৰ স্বকীয় বৈশিষ্ট্য আছে। মিচিং ভাষাত প্ৰচলিত বিভিন্ন গীত-পদ বিলাকৰ ভিতৰত 'ঐনিতম' অন্যতম। ঐনিতম শব্দই মৰমৰ, চেনেহৰ, প্ৰিয়জন আদিক বুজায়। অৰ্থাৎ প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা প্ৰেমৰ গীত। অসমীয়া বনগীত বা বিহুগীতৰ ভাৱ ভাষাৰ সৈতে ঐনিতম সমতুল্য। নৃত্য-গীতৰ লগতে ঢোল, পেপাঁ, গগনা, বাঁহী আদি বাদ্য যন্ত্ৰ তেওঁলোকে কৰে।

মিচিং ভাষা তিৰ্ব্বতৰ কৰ্মী ভাষা গোষ্ঠীৰ উত্তৰ অসম শাখাৰ অন্তৰ্ভুক্ত। মিচিং ভাষাটো অলিখিত আছিল। বৰ্তমান ইয়াক লিখিত ৰূপ দিবলৈ প্ৰচেষ্টা চলাইছে। মিচিংসকলৰ মাজত মৌখিক সাহিত্যৰ প্ৰাচুৰ্য দেখা যায়।

মিচিংসকল আমিষ ভোজী। গাহৰি, কুকুৰা, বনৰীয়া জন্তু, মাছ আদি তেওঁলোকৰ খাদ্য। ইয়াৰ উপৰিও পহু মাংসৰ মুকতি, বাঁহৰ গাজ খৰিচা মিচিংসকলৰ প্ৰিয় খাদ্য। আপং আৰু মদো মিচিং জনজাতিৰ এক অপৰিহাৰ্য আহাৰ। তেওঁলোকে পূজা-পাতল, আলহীক অভ্যৰ্থনা জনোৱাৰ বাবে আপং বা মদ ব্যৱহাৰ কৰে। বিবাহ উৎসৱত তামোল-পানৰ ব্যৱহাৰ অপৰিহাৰ্য।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা অসমত হোৱা নানান যুদ্ধ-বিগ্ৰহ, বৰ্হি বিশ্বৰ প্ৰভাৱ, বৈতজনিক দৃষ্টিৰে যুক্তিৰ বিচাৰ ইত্যাদিৰ কাৰণত মিচিং সমাজ পৰিবৰ্তনশীল হৈ পৰিছে। ফলস্বৰূপে মিচিং সমাজৰ অৱক্ষয় ঘটিছে। সেয়েহে কোনো আদৰ্শবান পথ প্ৰদৰ্শকে আগবাঢ়ি আহি পথৰ সন্ধান নিদিলে অচৰিৰেই মিচিং সমাজ বিপথে চালিত হোৱাৰ সম্ভাৱনাই অধিক। যিয়েই নহওঁক যেতিয়ালৈকে অসমৰ লুইত, সোৱণশিৰি বৈ থাকিব তেতিয়ালৈকে মিচিং জনজাতিয়ে অসমীয়াৰ বিভিন্ন ভাষা সাহিত্য আৰু সংস্কৃতিৰ মাজত এটা প্ৰধান অংগ হৈ অসমীয়াৰ বুকুত চিৰদিন জিলিকি থাকিব।

৫৫৫

## কমে'ডী

*— অপৰাজিতা গগৈ*

স্নাতক, ৩য় বষ

জীৱন হ'ল হাঁহি আৰু চকুলোৰ অপূৰ্ব মিলন। ৰথৰ চকৰিৰ দৰে জীৱন ঘূৰিব লাগিছে। সুখৰ মাজেদি ঘূৰোঁতে জীৱনত আনন্দ উপভোগ কৰোঁ। এই আনন্দৰ সমল বিচাৰোঁতেই কমে'ডীৰ জন্ম হয়।

ট্ৰেজেডী আৰু কমে'ডী এটা মোহৰৰে ইপিঠি-সিপিঠি। গ্ৰীচ আৰু ভাৰতবৰ্ষতেই কমেডীৰ জন্ম হৈছিল। কমেডী শব্দটো গ্ৰীক 'কমাইডা' শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ— আনন্দৰ গীত। এৰিষ্টোটেলৰ ট্ৰেজেডীৰ সংজ্ঞাটো যিমান স্মৰণীয় কমেডীৰ ক্ষেত্ৰটো তেওঁৰ সংজ্ঞাটো সিমানে স্মৰণীয় যেনেকৈ নহয়, ছিদ্ৰহীনো তেনেকৈ

নহয়। সংজ্ঞাটো হৈছে— (As for comedy it is.... an imitation of men worse than the average worse however, not as regards any and every fault but only as regards one particular kind, the Ridiculous, which is a specious of the ugly.) "কমেডীৰ ক্ষেত্ৰত ই হ'ল সাধাৰণতকৈ নিকৃষ্টতৰ মানে সকলো ফালৰপৰা ত্ৰুটিযুক্ত হীনতৰ নহয়, মাথোন হাস্যস্পদ অৰ্থাৎ অসুন্দৰেই প্ৰকাৰভেদ।"

ট্ৰেজেডীত অকল করুণ ৰস আৰু কমেডীত অকল হাস্যত্মক ৰসৰ কথা পোৱা যায় বুলি ভাবিলে ভুল হ'ব। কমেডীৰ সম্পৰ্ক বৰ্হিজগতৰ লগত। কমেডী মানে কমিক নাটক নহয়। অৱশ্যে কমিক নাটক এক লঘু প্ৰহসন অৰ্থাৎ নিম্নশ্ৰেণীৰ কমেডী বুলি গৃহীত। গোহাঞিবৰুৱাৰ 'গাওঁবুঢ়া' প্ৰীষ্টলিৰ 'এন ইন্সপেক্টৰ কলচ' আৰু 'শ্ব'ৰ পিগমেলিয়ন'ৰ লেখীয়া নাটকবোৰো কমেডি বুলিয়েই গৃহীত। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন'খন প্ৰহসন বুলি কোৱা হৈছে যদিও ইয়াক প্ৰকৃততে ব্যঙ্গাত্মক কমেডী বুলিব পাৰি। প্ৰহসন হ'ল পুৰামাত্ৰাই ৰসাত্মক নাটক।

ডান্টেৰ মতে, ট্ৰেজেডী আৰম্ভ হয় সুখকৰ পৰিস্থিতিৰ মাজত আৰু শেষ হয় দুঃখকৰ আৰু ভয়ংকৰ পৰিস্থিতিৰ মাজত। সেইদৰে কমেডী আৰম্ভ হয় অপ্ৰীতিকৰ পৰিবেশত আৰু শেষ হয় আনন্দময় পৰিবেশত। তেওঁৰ 'ডিভাইন কমেডি' এনেধৰণৰ গ্ৰন্থ। বিভিন্ন জনে কমেডীক বিভিন্ন ভাগত বিভক্ত কৰিছে— সামাজিক কমেডী, ৰোমান্তিক কমেডী, ব্যঙ্গাত্মক কমেডী, প্ৰহসন, চক্ৰান্তমূলক কমেডী, সংলাপমূলক কমেডী আদি।

আৰ্টৰ দৰে জীৱনৰ অসম্পূৰ্ণতাৰ পৰাই কমেডীৰ সৃষ্টি। কমেডী বুলিলে আমি সাধাৰণতে ক্লাচিকেল বা বাস্তৱবাদী কমেডিকেই বুজোঁ। কাৰণ বাৰিষাৰ মেঘৰ দৰেই ই গোটেই নাটকীয় আকাশ ঢাকি পেলাইছে।

ডন কুইহো আৰু কৃপাবৰ বৰবৰুৱাই হাঁহিৰ খোৰাক যোগাব পাৰে এই কাৰণেই যে চৰিত্ৰৰ কাণ্ড-কাৰখানাত খোজেপতি অসংগতি আৰু অসামঞ্জস্যতা আছে। বহু সময়ত ভুল কাম, ভুল জ্ঞান আৰু ভুল বুজাবুজিয়েই একোখন কমেডীৰ সশব্দ হাঁহিৰ মুলধন।

চিনেমা জগততো কমেডীৰ প্ৰাধান্য অধিক। অগ্ৰগতিৰ সোপানৰ জখলাত উঠি বৰ্তমান কালৰ কমেডী এক অতি পৰিশীলিত শিল্পবস্তু হৈ পৰিছে। বৰ্তমান কালত ট্ৰেজেডী আৰু কমেডী উভয়েই শ্ৰদ্ধাৰ শিল্পবস্তু। সেয়ে কমেডীয়ে সাহিত্যত এক উচ্চ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে।


১। মহেন্দ্ৰ বৰা— সাহিত্য উপক্ৰমনিকা

২। বীৰেন বৰকটকী— সাহিত্যৰ পটভূমি

৩। মহেশ্বৰ নেওগ— } সাহিত্য সমীক্ষা।
হেমন্ত কুমাৰ শৰ্মা— }


ৎৎৎ

## চিঠি, ম'বাইল ফোন, ইণ্টাৰনেট ইত্যাদি ইত্যাদি


— *অৰ্চিতা ভট্টাচাৰ্য*

স্নাতক, তৃতীয় বৰ্ষ।


"চিঠি পালো। পঢ়ি চালো"। কথাষাৰৰ মৰ্যাদাই সুকীয়া। কিন্তু বৰ্ত্তমান সময়ত চিঠি পত্ৰৰ আদান-প্ৰদান লুপ্তপ্ৰায় হৈছে বুলিও ক'লেও ভুল কোৱা নহ'ব। এতিয়া কোনেও কালৈও চিঠি নিলিখে। আপোনজনৰ পৰা আহিব লগা এখন চিঠিৰ বাবে কোনেও অপেক্ষা নকৰে। ডাকোৱাল জনো যেন নিস্ক্ৰিয় হৈ পৰিছে। তেওঁ অহালৈ কোনোৱে উদগ্ৰীৱ হৈ বাট নাচায়। এক কথাত বৰ্ত্তমান সময়ত চিঠিবোৰ হেৰাই গৈছে। এই হেৰাই যোৱাটো কিমান বেদনাদায়ক এই কথা কোনোৱে চিন্তা নকৰে। ভাৱ প্ৰকাশৰ বাবে চিঠিয়েই সৰ্বোৎকৃষ্ট মাধ্যম— অথচ তাৰেই আজি বিলুপ্তি ঘটিছে। এই নিলিখা কথাটো কিমান সাংঘাতিক, সেই কথা আমি পাহৰি গৈছো কিয়? এনে এটা দিন সমাগত যিটো দিনত চিঠি কালৈ কেনেকৈ লিখিব লাগে সেইটোও সম্ভৱ মানুহে পাহৰি যাব। ইয়াতকৈ আৰু কিবা দুৰ্ভাগ্যজনক হ'ব পাৰে জানো? একো একোখন চিঠিৰ মাজত সন্নিৱিষ্ট হৈ থাকে এজন ব্যক্তিৰ বুদ্ধিদীপ্ত জ্ঞানৰ পৰিচয় একোখন চিঠিয়ে কঢ়িয়াই অনা বিস্তৰ জ্ঞানভাণ্ডাৰ এটা সময়ত ইতিহাস হয়গৈ। পুৰণি চিঠিৰ মাজত মানুহে অতীত বিচাৰি বিমল আনন্দ লাভ কৰে। পণ্ডিত জৱহৰলাল নেহৰুৱে স্বাধীনতা আন্দোলনৰ সময়ত জেলত কটোৱা সময়খিনিত তেওঁৰ একমাত্ৰ দুহিতৃ প্ৰয়াত ইন্দিৰা গান্ধীলৈ লিখা চিঠিবোৰ কিমান মূল্যবান আৰু তথ্যপূৰ্ণ সেয়া প্ৰকাশ কৰা— "The letters from a father to his daughter" এখন মূল্যবান গ্ৰন্থ। জাতিৰ পিতা মহামানৱ মহাত্মাগান্ধীৰ একো একোখন চিঠি আছিল বিশ্ববাসীলৈ প্ৰেৰণ কৰা সত্য আৰু অহিংসাৰ বাণী। এনেদৰে পৃথিৱীৰ বৰেণ্য ব্যক্তিসকলৰ চিঠি পত্ৰবোৰ আজিও এক আপুৰুগীয়া সম্পদ।

আপাত দৃষ্টিত দুটা কাৰকৰ বাবেই চিঠি লুপ্তপ্ৰায় বুলি ধৰি ল'ব পাৰি। প্ৰথমটো হ'ল— সুস্থমনোবলৰ অভাৱ তথা প্ৰকাশ ভঙ্গীৰ দুৰ্বলতা, পৰ্যাপ্ত জ্ঞান নাথাকিলে অথবা দুৰ্বল ভাষাজ্ঞাণৰ অভাৱে প্ৰকাশভঙ্গীত প্ৰভাৱ পেলায়, তেনে ক্ষেত্ৰত এখন ভাল চিঠি লিখিব নোৱাৰি, দ্বিতীয়টো কাৰক হ'ব পাৰে বিজ্ঞজনৰ শেহতীয়া চমকপ্ৰদ আৱিষ্কাৰসমূহ। উদাহৰণস্বৰূপে আমি ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ কথাকে উল্লেখ কৰিব পাৰো। এই দুবিধ মাধ্যমৰ আৱিষ্কাৰ মানৱজাতিৰ বাবে আশীৰ্বাদস্বৰূপ হ'লেও ইয়াৰ কুফলৰ প্ৰভাৱ আমাৰ মাজতে বাৰুকৈয়ে পৰিছে। যাৰ ফলত চিঠিৰ দৰে এক মূল্যবান সম্পদ আমি হেৰুৱাৰ পথত। আমি ক'ব খোজা নাই যে ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ প্ৰয়োজন আমাৰ নাই। ম'বাইল ফোনটো থকাৰ বাবে আজি নিমিষতে এজনে আনজনৰ লগত কথা পতিব পাৰে, বিপদকালত এজন ডাক্তৰ অথবা চিকিৎসালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব পাৰে, ভ্ৰমণলৈ গ'লে নিজ ঘৰৰ পৰিয়ালৰ লগত যোগাযোগ ৰাখিব পাৰে। এনেকৈ ম'বাইল ফোনটো হাতত থাকিলে

এশ এবুৰি সমস্যাৰ সমাধান হ'ব পাৰে। কিন্তু ইয়াৰ ব্যৱহাৰত সীমিত অথবা অত্যন্ত জৰুৰী কথাবোৰেই ঠাই পায়। ইয়াত ভাষা প্ৰয়োগৰ দিশত সচেতনতা নেথাকে অথবা থাকিব নোৱাৰে। কাৰণ দীৰ্ঘম্যাদী বাৰ্ত্তালাপত অৰ্থনৈতিক মিতব্যয়িতাৰ কথাটোৱে ফোন কৰোঁতাজনক সঘনাই সচকিত কৰি ৰাখে।

ঠিক তেনেকৈ ইণ্টাৰনেটৰ ব্যৱহাৰ বৰ্ত্তমান সময়ৰ অপৰিহাৰ্য অংগ। এতিয়া পৃথিৱীৰ অধিকাংশ লোক ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল। আনহে নেলাগে পুৱা উঠি ইণ্টাৰনেট খুলিয়েই যি কোনো এখন দৈনিক বাতৰি কাকত পঢ়িব পৰাৰ সুবিধা হ'ল। পৃথিৱীৰ কোনো ঠাইৰ কোনটো কোম্পানীৰ কোনবিধ বস্তু কিমান উন্নতমানৰ অথবা ইয়াৰ বজাৰ দৰ কিমান ইত্যাদি কথাবোৰ ইয়াৰ যোগেদি নিমিষতে সংগ্ৰহ কৰি ল'ব পৰা হ'ল। ই-মেইল যোগে এজনে আনজনৰ লগত যোগসূত্ৰ স্থাপন কৰাই নহয়, বা বাতৰিও প্ৰেৰণ কৰে, আনকি কোনেও কাকো নেদেখাকৈয়ে বিবাহ পাশতো আবদ্ধ হয়। চমৎকাৰ বিজ্ঞানৰ এই অৱদান। এইবোৰৰ আৱিষ্কাৰে বিশাল পৃথিৱীখনৰ দূৰত্ব তেনেই কমাই পেলাইছে। কিন্তু ইয়াৰ বিৰূপ প্ৰভাৱে আমাৰ সাতামপুৰুষীয়া নীতি নিয়মৰ ওপৰত মাধমাৰ সোধাইছে। আমি যন্ত্ৰবত কাম সমাধা কৰি এক যন্ত্ৰমানৱলৈ পৰিণত হৈছো। আমাৰ মূল মন্তব্য চিঠিৰ ক্ষেত্ৰতো একেটা কথাই খাটে। যান্ত্ৰিক জীৱনৰ সমান্তৰালভাৱে আমি চিঠি লিখাৰ অভ্যাস বৰ্ত্তাই ৰাখিব নোৱাৰোনে? টেলিফোন বা ইণ্টাৰনেটৰ ব্যৱহাৰ কৰিও আমি চিঠি লিখাৰ অভ্যাস ৰাখিবলৈ সংকল্পবদ্ধ হ'ব লাগিব। কাৰণ আমাৰ সামাজিক জীৱনত চিঠি এক অমূল্য সম্পদ। বিভিন্ন দিশত জ্ঞান আহৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখি, তথ্যৰ প্ৰতি আগ্ৰহী হ'বলৈ শিকিলে আমাৰ মনৰ ভাণ্ডাৰ মেটমৰা হৈ উঠিব আৰু সেই ভাণ্ডাৰ চিঠিৰ মাধ্যমেৰে আনকো বিলাই দিবলৈ পোৱাৰ যি বিমল আনন্দ তাৰ সম্ভৱ তুলনা নাই।

৫৫৫

## চকলং

— *মায়াশ্ৰী মহন্ত*
স্নাতক তৃতীয় বৰ্ষ

চকলং হ'ল আহোমসকলৰ এক বিবাহ পদ্ধতি। আহোমসকলৰ এই চকলং বিবাহ পদ্ধতি অসমীয়া সমাজ আৰু সংস্কৃতিৰ এপদ গুৰুত্বপূৰ্ণ বৈভৱ। এই চকলং বিবাহ প্ৰথাত আহোমসকলৰ সামাজিক আৰু ৰাজনৈতিক বৈশিষ্ট্য প্ৰকাশ পায়।

চকলং হৈছে টাই-আহোম ভাষাৰ শব্দ। ইয়াৰ মূল অৰ্থ হৈছে— ত্ৰিজগতৰ দেৱ দেৱীক সাক্ষী কৰি পতি-পত্নীৰ সম্বন্ধ ঘটোৱাৰ বৈবাহিক জীৱনৰ একমাত্ৰ আনুষ্ঠানিক সংকল্প বা অংগীকাৰ। চকলঙৰ ঘাই প্ৰতীক হ'ল মৰল। তাই-আহোমসকলৰ বিশ্বাস যে, ত্ৰিজগতৰ দেৱ-দেৱীসকল মৰলত সন্মিলিত হৈ বিশ্বৰ মংগলৰ অৰ্থে আলোচনা-বিলোচনা কৰে। সেই বিশ্বাসৰ আধাৰতে মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু স্মৰণীয় অনুষ্ঠান বিবাহ স্থলীত মৰল স্থাপন কৰি দেৱ-দেৱীৰ আশিষ কামনাৰে তেওঁসকলক সভক্তিৰে আমন্ত্ৰণ জনোৱা হয়। মৰলত সকলো দেৱ-দেৱীক আসন দিয়া সম্ভৱ নহয় যিহেতু আহোমসকলৰ বিশ্বাসমতে সৰ্বমুঠ দেৱদেৱীৰ সংখ্যা আঁঠ লাখ। সেইবাবেই তাৰ বিকল্প ব্যৱস্থা হিচাপে লেংদনকে (যাক দেৱৰাজ ইন্দ্ৰ বুলিও অভিহিত কৰা হয়) মুখ্য কৰি এশ এজন ঘাই দেৱতাক আসন দিয়া হয়। মৰল হ'ল আঁঠটা দিশৰ প্ৰতীক আঁঠটা কোণেৰে আবৰা অষ্টচক্ৰৰ সমষ্টি। মৰল প্ৰস্তুত কৰোঁতে আঁঠটা কোণেৰে আবৰা ঠাইখিনিৰ মধ্যবিন্দুৰ পৰা প্ৰতিটো কোণলৈ একোডাল সৰলৰেখা টনা হয়। সেই আঠটা ভাগক দুভাগ কৰি যোল্লভাগ চক্ৰৰ দ্বাৰা সৰলৰেখাসমূহ কাটি সৰু সৰু ভাগ কৰা হয়। সোঁমাজৰ চক্ৰটোত বগা ৰং আৰু বাকীকেইটা চক্ৰত ক্ৰমে ৰঙা, হালধীয়া, সেউজীয়া, আকাশী, নীলা আৰু বেঙুনীয়া ৰং দিয়া হয়। মৰলৰ মাজৰ চক্ৰত লেংদনক উদ্দেশ্যি এখন ডাঙৰ চাৰিমুখীয়া চাকি, তাৰ পাছৰ চক্ৰৰ পূৱত বৃহস্পতি গুৰু, পশ্চিমত অগ্নি, উত্তৰত সূৰ্য আৰু দক্ষিণত চন্দ্ৰক উদ্দেশ্যি একোখন এমুখীয়া মধ্যমীয়া চাকি জ্বলোৱা হয়। তাৰে পাছৰ ছটা চক্ৰৰ য'ত য'ত চক্ৰৰ আঁকে সৰলৰেখাসমূহ ছেদ কৰিছে তাত একোখনকৈ এমুখীয়া সৰু চাকি জ্বলোৱা হয়। এইদৰে সৰ্বমুঠ এশ এগচি চাকি মৰলত জ্বলোৱা হয়। ইয়াৰ দ্বাৰা এশ এজন দেৱতাক প্ৰতিষ্ঠা কৰা হয়। প্ৰতিটো চাকিতে একোটাকৈ পইচা, এপাহকৈ ফুল আৰু একোখনকৈ থুৱিয়া তামোল দিয়া হয়। মৰলৰ চাৰিওফালে কলপুলি ৰোৱা হয়। এই কলপুলি চাৰিটাক দেৱ-দেৱীসকলৰ শুভাগমনৰ কামনা কৰা মাংগলিক প্ৰতীক বুলি ধৰা হয়।

চকলং প্ৰথাত বিবাহ সম্পন্ন কৰিবলৈ এশ এপাহ ফুল থকা দুধাৰ মালা, তিনিখন থুৱিয়া তামোল, এখন গামোচা, এটা চাউল থকা দুণৰি, দুখন মাইহাঙত আখৈ, পৰমান্ন আৰু পঞ্চামৃত, দুযোৰ লোটা-চৰিয়া, তিনিডাল খৰিকা আৰু এখন হেংদান লাগে। কন্যাদাতাই কন্যা সম্প্ৰদান কৰাৰ পাছত কন্যাই দৰালৈ শৰাইত থকা হেংদান আৰু কবচ কাপোৰ আগবঢ়ায়। এই হেংদান আগবঢ়োৱাৰ উদ্দেশ্য হৈছে— এই অস্ত্ৰৰে যাতে দৰাই নিজৰ দেশ, নিজৰ পুত্ৰ-ভাৰ্যা আৰু ঐশ্বৰ্য ৰক্ষা কৰিবলৈ সমৰ্থ হয়। দৰায়ো হেংদান গ্ৰহণ কৰি দুষ্টক দমন, শিষ্টক পালন, ৰাজ্য আৰু ধৰ্ম ৰক্ষা কৰিবলৈ সংকল্প গ্ৰহণ কৰে। কন্যাদাতাই হেংদান প্ৰদান কৰি কয় এইদৰে— "এই হেংদানেৰে আপুনি নিজৰ দেশ, নিজৰ পত্নী-পুত্ৰ আৰু নিজৰ ঐশ্বৰ্য আদি সকলো ৰক্ষা কৰিবলৈ সমৰ্থ হওক।" দৰাই হেংদান গ্ৰহণ কৰি কয়— "দুষ্টক দমন আৰু শিষ্টক পালন কৰি ৰাজ্য, ধৰ্ম আৰু পত্নী-পুত্ৰক ৰক্ষা কৰিবৰ কাৰণে এই হেংদান হাতত লৈ এশ এজন দেৱতা আৰু সমজুৱাক সাক্ষী কৰি প্ৰতিজ্ঞা কৰিলো।" তেতিয়া কন্যাই দৰাক বস্ত্ৰ প্ৰদান কৰি কয়— "এই বস্ত্ৰ অক্ষয় কবচ স্বৰূপে পৰিধান কৰি অজেয় হওক।" দৰাই বস্ত্ৰ গ্ৰহণ কৰি কয়— "এই বস্ত্ৰেৰে টঙালি বান্ধি শত্ৰুক জয় কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলো।" ইয়াৰ

পাছতে পুৰোহিতে দৰা-কইনাৰ উভয়ৰে কমেও সাতপুৰুষৰ বুৰঞ্জী ক'ব লাগে। তাৰে পাছত আহে বুজনি পৰ্ব। এইখিনি সময়ত দৰা-কইনাৰ সোঁহাতৰ বুঢ়া আঙুলি দুটা এৰাসূতাৰে বান্ধি ৰখা হয়। পুৰোহিতে তেওঁলোকক সাংসাৰিক জীৱনৰ বিষয়ে বুজাই কয় আৰু দুয়ো এক হৈ সজবুদ্ধি আৰু সজ পৰামৰ্শ দ্বাৰা জীৱন যাপন কৰিবলৈ উপদেশ দিয়ে আৰু মৰললৈ বুলিসেৰা আগবঢ়াই সেই বুজনি অনুষ্ঠান শেষ কৰে আৰু সূতাৰ বান্ধটো খুলি পেলোৱা হয়। এইখনিতে মৰলৰ সেৰা পূজাৰ কৰ্ম-খিনিৰো অন্ত পৰে। ইয়াৰ পাছত চকলঙৰ আন এটা ভাগ ৰং-ধেমালিৰ অনুষ্ঠান আৰম্ভ হয়। এই অনুষ্ঠান ভিতৰুৱাকৈ অনুষ্ঠিত কৰা হয়। প্ৰথমতে দৰা-কইনাক কড়ি খেলায়, তাৰে পাছত এদোণ বা এখৰাহী চাউলত আঙঠি লুকুৱা-লুকি কৰায়, কটাৰী সলনা-সলনি কৰায় আৰু এই ভাবে নানা ৰং-ধেমালি কৰাই উভয়ৰ লাজ ভাব আঁতৰাই দিয়াৰ চেষ্টা কৰে। শেষত কইনাই দৰাক আৰু দৰাই কইনাক তিনিবাৰকৈ জা-জলপান খুৱায়, মুখ ধুৱায়, খৰিকা-মাৰি মৰায়, পাতলী তামোল খুৱায়, গামোচাৰে মুখ মচায়। এইদৰে ভিতৰৰ কামবোৰৰো অন্ত পৰে। সৰ্বশেষত পুৰোহিতে তেওঁলোকক লেংদনলৈ বুলি সেৰা আগবঢ়োৱাই আৰু শেষ আশীৰ্বাদ দি চকলঙৰ সমুদায় কাম সমাধা কৰে।

লেংদন প্ৰমুখ্যে এশ এজন দেৱতাৰ আশিষ কামনাৰে দাম্পত্য জীৱনৰ পাতনি মেলাই চকলঙৰ মূল তাৎপৰ্য। চকলং বিবাহত বুৰঞ্জী শুনোৱা প্ৰথাই তেওঁলোকৰ জাতিৰ অতীত গৌৰৱ সোঁৱৰাই আৰু ভৱিষ্যতৰ জীৱন পথত সাহসেৰে আগবাঢ়ি যাবলৈ সহায় কৰে। চকলং বিবাহ প্ৰথা ইমান আকৰ্ষণীয় যে ই সকলো জাতিৰ লোকক ইয়াৰ প্ৰতি আকৰ্ষিত কৰাব পাৰে। এই বিবাহ প্ৰথাৰ ওপৰত বহু লিখা মেলা হৈ অহাৰ উপৰিও গানতো ই স্থান পাইছে। নতুন প্ৰজন্মৰ গায়ক জুবিন গাৰ্গৰ চকলঙৰ ওপৰত গোৱা 'চকলং পালেই আহি, বুকু দুৰু দুৰু কঁপিছেনে....' গীতটি ইমানেই জনপ্ৰিয় যে গীত শুনি চকলং বিবাহ প্ৰথাৰ প্ৰতি বহুতো নজনালোকো আকৰ্ষিক হৈছে। এইবোৰে প্ৰমাণ কৰে চকলং বিবাহ প্ৰথা আহোম সমাজৰ লগতে সমগ্ৰ অসমীয়া জাতিৰ এক অতি প্ৰয়োজনীয় সম্পদ। যিমান দিনলৈকে সম্ভৱ এই বিবাহ প্ৰথাক সজীৱ আৰু জীৱন্ত কৰি ৰাখিবলৈ সকলো অসমীয়া দায়বদ্ধ হোৱা উচিত।

*(সহায় লৈ)*

৫৫৫

## লুইতৰ চাপৰিৰ অসমীয়া গীত

— *ইলোৱা বৰ্মন*
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

*"মহাবাহু ব্ৰহ্মপুত্ৰ*
*মহামিলনৰ তীৰ্থ*
*কতযুগ ধৰি আহিছে প্ৰকাশি*
*সমন্বয়ৰ অৰ্থ।"*

সাতভনীৰ সংস্কৃতিৰ মহামিলনৰ তীৰ্থ হৈছে এই মহাবাহু ব্ৰহ্মপুত্ৰ, লুইত যাৰ আন এটা নাম। লুইতৰ চিৰ প্ৰবহমান গতি হৈছে এই মিলনৰ সাক্ষী। এই নদীক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে একো একোটি সংস্কৃতি। সংস্কৃতিৰ বিশাল পথাৰখনত লুইতৰ জীপ পাই কবিতা, গীত, সাহিত্যই ফলে-ফুলে জাতিস্কাৰ হৈ সুশোভিত ৰূপত আত্মপ্ৰকাশ কৰিছে।

লুইত হৈছে অসমীয়া প্ৰাণৰ ধমনীস্বৰূপ, ধমনীৰ ৰক্তপ্ৰবাহৰ দৰে অসমীয়া মানুহৰ মনত লুইত চিৰপ্ৰবহমান। প্ৰতিবছৰে লুইতৰ বলিয়া বানে ঘৰ-দুৱাৰ ভাঙে, গৰু, ম'হ উটুৱাই নিয়ে, যোজন যোজন জুৰি শস্য-শ্যামলা পথাৰ বুৰাই পেলায়, গৰাখহনীয়াৰ কবলত গাঁও-চহৰ নিঃচিহ্ন হয়— অথচ এই নদীৰ প্ৰতি মানুহৰ ভালপোৱা নকমে। হাজাৰ দুখ-কষ্টৰ পিছতো অসমীয়াৰ বাবে লুইত গৌৰৱৰ থল, কবি প্ৰাণৰ বাহক। অসমীয়াৰ মানত লুইত যেন কচাকৰ 'ডন' বা হান্ জাতিৰ 'ইয়াংচী'।

অনাৰ্য নাম প্ৰসূত এই নদীৰ নামৰ উৎস আৰ্যসকলে সংস্কৃত ভাষাত বিচাৰি পাইছিল। সেইবাবে লুইত হৈছিলগৈ লৌহিত্য। প্ৰাচীন কামৰূপৰ ৰজাসকলৰ দান পাত্ৰত দেবাদিদেৱ মহাদেৱৰ স্তুতিৰ লগতে থাকিছিল লৌহিত্যৰ বন্দনা—

'পবন ৰমনীসকলৰ দৰে অতি বেগৱতী, সমুদ্ৰৰ দৰে নিৰ্মল-লৌহিত্যৰ পানীয়ে তোমালোকৰ পাপ দূৰ কৰক।' কিন্তু ব্ৰহ্মপুত্ৰ নামৰো আদিকথা আছে।

অসমৰ বিভিন্ন নদী আৰু ঠাইৰ নামৰ লগত বড়ো ভাষাৰ পানীৰ প্ৰতিশব্দ 'দি' বা 'ডি'ৰ ব্যৱহাৰে অসমত বড়ো সভ্যতাৰ সাক্ষী বহন কৰে। দিহিং, দিচাং, দিখৌ আদি নদী আৰু ডিমাপুৰ, ডিগবৈ প্ৰভৃতি ঠাইৰ নামত তাৰ প্ৰমাণ বিদ্যমান। ড° সুনীতিকুমাৰ চট্টোপাধ্যায় প্ৰভৃতি ভাষাবিদসকলে 'লাও-টি' শব্দৰ পৰা লুইত শব্দৰ উৎপত্তি হোৱা বুলি ক'ব খোজে। আহোম ৰাজবংশাৱলী অহম বুৰঞ্জীত ব্ৰহ্মপুত্ৰক বাৰে বাৰে 'টিলাও' বোলা হৈছে, যিটো ভাষা তত্ত্ব বিদসকলৰ মতে অষ্ট্ৰিক গঠনৰ বুলি অভিহিত। আৰ্যসকলে দিয়া 'লৌহিত্য' নামৰ আভিজাত্য বৰ্জন কৰি লুইতে তাৰ আদিম অনাৰ্য নাম 'লুইত'ক জীয়াই ৰাখিলে। সেয়েহে হয়তো তাৰ চাপৰিত জীৱনৰ, প্ৰেমৰ, প্ৰকৃতিৰ এনে অপৰূপ সমাহাৰ।

বসন্ত উৎসৱ বিহুৰ সময়ত বুঢ়ালুইত ডেকা, ন-জোৱান হয়। পাৰে পাৰে থকা নল-খাগৰি, ঝাউবন, কঁহুৱাবনত সেই উদ্দাম যৌবনৰ ঢৌ মদাৰ, পলাশ, শিমলুৰ ডালে ডালে ৰঙৰ নিচাৰে একাত্ম হয়। যৌবনৰ এই ধলৰ বাবেই শইচ সম্ভৱা হয়, সেয়েহে যুৱক-যৱতীৰ প্ৰেমৰ অন্য এক নাম লুইত।

*লুইতৰ চাপৰিত নিতৌ পেপাঁ বাৰ*
*ক'ৰেনো বুকুৰে ধন*
*ৰাতিৰে ৰাতিটো বিহুৰে তলিতে*
*বিহুমাৰি থাকিবৰ মন।*

বিহুনাচৰ ভংগীমাত, কঁকাল ভঙা, বেঁকা-চাৱনিত আৰু হাতৰ

মুদ্ৰাত শৃঙ্গাৰ ৰসৰ উদ্দামতা আৰু ঢোল, পেপাঁৰ মাতত আৰু টকাৰ শব্দত মেদা, বৰযুণৰ নিনাদ অনুসৰণ হয়।

লুইতৰ পাৰৰ কহুঁৱা মিৰি ছোৱালীৰ বিকশিত যৌবনত ডেকাৰ খেলিবলৈ মন যায়। সেয়েহে,

*লুইতৰ পাৰৰ কঁহুৱা ফুলনি*
*মিৰিয়নীয়ে খেলিছে তাত,*
*এনে ফাগুনৰ দিনত*
*তোমাৰ যৌৱন ফুটিলে*
*মন মোৰ খেলিছিল তাত।*

অসমৰ সৃজনশীল গীতৰ আন এটা বিশিষ্ট ধাৰা হ'ল— বনগীত। বনগীতৰ অন্যতম ৰচক আনন্দিৰাম দাসৰ এটা অনুপম সৃষ্টি—

*লুইতৰ শুৱনি ৰূপহী মাজুলী*
*মৰো যেনে লাগে তাত,*
*বাঁহৰে শুৱনি আগে ঔ লেকেচি*
*পৰে কপৌজুৰি তাত*
*মৰো যেনে লাগে তাত।*

লুইতৰ শোভা মাজুলী, এটা ৰূপহী, এটা ৰূপহী দ্বীপ আৰু বাঁহগছৰ শুৱনি লেকেচি যুৱীয়া কপৌ দেখি মৰো যেন লাগে।

অসমীয়া লোকগীত বিহু আৰু বনগীতৰ এই ঐতিহ্য আধুনিক অসমৰ কবিতা, গীত আৰু সাহিত্যৰ মাজেৰে চিৰসেউজ ৰূপত প্ৰবাহিত হৈছে।

প্ৰথম অসমীয়া ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ প্ৰথম উপন্যাস 'মিৰিজীয়ৰী'ৰ নায়ক-নায়িকা পানেই আৰু জংকিৰ সোঁৱনশিৰিৰ পাৰতেই প্ৰেমৰ বীজ অংকুৰিত হয় আৰু এই নদীৰ পানীতেই জীৱন বন্তি নুমায়। এই নদী হৈছে লুইতৰ ভাৰ্যা। বৰদলৈদেৱৰ ভাষাত, "প্ৰবাদ আছে যে ব্ৰহ্মপুত্ৰ বাবাই আগবাঢ়ি আহি তেওঁৰ পৰম ৰূপৱতী সৰ্বগুণে বিভূষিতা ভাৰ্যা সোঁৱণশিৰীক বাটৰে পৰা আদৰি নিছে।"

আধুনিক অসমীয়া সাহিত্যৰ এজন পথ প্ৰদৰ্শক ৰসৰাজ লক্ষীনাথ বেজবৰুৱা এখন গীতিকাব্যৰ প্ৰেমিক যুগল আছিল— ধনবৰ আৰু ৰতনী। নায়িকা ৰতনীয়ে লুইতৰ পানীত জপিয়াই আত্মহত্যা কৰাৰ পিছত নায়ক ধনবৰে বিলাপ কৰিছে এনেদৰে (বিহুৰ সুৰত)—

*বোপা মোৰ লুইত ঐ*
*সামৰি লোৱা মোক*
*কোলাত থান এফেৰি*
*দিয়া*
*ৰতনী মৰিল মোৰ*
*সকলো পৰিল ওৰ*
*আৰু মোৰ একো*
*নাইকিয়া।*

আধুনিক অসমীয়া সংগীতৰ জনক, প্ৰথম অসমীয়া বোলছবিৰ স্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে সংগ্ৰামী অসমীয়াৰ আত্মাক আলোড়িত কৰি কৈছে—

*লুইতৰ পাৰৰে আমি ডেকা ল'ৰা*
*মৰিবলে ভয় নাই।*

প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ত আগৰৱালাদেৱে দিয়া গীতৰ সুৰে আজিও অসমীয়াৰ বুকু সিক্ত কৰি তোলে—

*লুইতৰ পানী যাবি অ' বৈ*
*সন্ধিয়া লুইতৰ পানী সোণোৱালী*
*চহৰে নগৰে যাবি অ' বৈ*
*জয়াৰে কীৰিতি দেশে বিদেশে*
*চহৰে নগৰে ফুৰিবি কৈ।*

সমকালীন গীতিকাৰ ভূপেন হাজৰিকাৰ প্ৰথম গীতৰ সংকলনটিৰ নাম হ'ল—

*'জিলিকাব লুইতৰ পাৰ।'*

এনেদৰে সাহিত্যৰ বিভিন্ন দিশৰ ভিতৰত গীতেৰে লুইতক অধিক পৰিমাণে বন্দিত কৰা হৈছে। কৃষ্টিৰ কঠিয়াতলীত লুইত হৈছে পলস। লুইত মানে সৃষ্টি, লুইত মানে ধ্বংস, লুইত মানে অসমৰ বৰ্ণিল ইতিহাস।

*(সহায় লৈ)*

ৎৎৎ

## নাৰীৰ সৱলীকৰণেই মানৱসম্পদৰ উন্নতিৰ মূল

*— মৈত্ৰেয়ী শইকীয়া*
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

সমাজ গঠনৰ মূল আহিলা ব্যক্তি। ব্যক্তি সমষ্টি সৃষ্টিৰ দুই উপকৰণ হ'ল-নাৰী আৰু পুৰুষ। দুই উপকৰণৰ এটাক বাদ দি অন্য এটাই উৎকৰ্ষ সাধন কৰিব নোৱাৰে।

মানৱক ৰাষ্ট্ৰৰ সম্পদ হিচাপে গণ্য কৰাৰ সময়ত পুৰুষ-নাৰীৰ কোনো প্ৰভেদ থাকিব নোৱাৰে। মানৱ সম্পদৰ উন্নয়ণৰ মূলত নাৰীসত্তাক সৱল কৰাটো নিতান্ত জৰুৰী। আদিম বণ্য অৱস্থাৰ পৰা বৰ্তমান অত্যাধুনিক ব্যৱস্থালৈ নাৰীয়ে মূল চালিকা-শক্তি বিশ্ব সৃষ্টিৰ মূলতে যিদৰে শক্তি প্ৰধান, সমাজ সৃষ্টিৰ মূলতেও নাৰীয়ে প্ৰধান। নাৰীসকল যিমানে সুস্থ-সবল হ'ব সমাজ ব্যৱস্থাও তেনে সুস্থ-সবল হ'ব। অশিক্ষিত, অমাৰ্জিত, কুসংস্কাৰ আচ্ছন্ন নাৰী কেতিয়াও সুস্থ, সবল প্ৰজন্মৰ জন্ম দাত্ৰী হ'ব নোৱাৰে। তেনে প্ৰজন্মৰ অবিহনে মানৱ সম্পদৰো উন্নতি নহয়। গতিকে নাৰীক পূৰ্ণ সামাজিক মৰ্যাদাৰে সবল, সুস্থ, শিক্ষিতা কৰি তোলাটো ৰাষ্ট্ৰৰ স্বাৰ্থতে অপৰিহাৰ্য।

ইতিহাসে প্ৰমাণ দিয়ে যে বৈদিক যুগত নাৰীৰ স্থান পুৰুষৰ সমান। তাৰ প্ৰমাণ শ্বেতাশ্বতৰ উপনিষদৰ মহান বাণী "ত্বং স্ত্ৰী, ত্বং পুমাণপিঃ" অৰ্থাৎ 'তুমিয়ে নাৰী, তুমিয়ে পুৰুষ"। মধ্যযুগত নাৰীৰ সামাজিক মৰ্যাদা কিছু পৰিমাণে হ্ৰাস পায় যদিও এই সময়তো নাৰীসকলৰ সামাজিক দায়িত্ববোধৰ প্ৰতি সচেতন বহুতো মহীয়সী নাৰীৰ জন্ম হৈছিল।

ভাৰত বৰ্ষত প্ৰাক্-আধুনিক যুগৰ আৰম্ভ হয় ৰাজা ৰামমোহন ৰায়ৰ দিনৰ পৰা। এই সময়ছোৱাতে লগত ফেৰ মাৰি শিক্ষা-দীক্ষা আদি সকলোতেই আগবাঢ়িল। বৰ্তমান অত্যাধুনিক যুগত বিজ্ঞান, কাৰিকৰী শিক্ষা, সামাজিক তথা ৰাজনৈতিক ব্যৱস্থা, কলা-সাহিত্য সকলো দিশতে নাৰীৰ ভূমিকা লেখত ল'ব লগা। গতিকে এখন সুস্থ-

সৱল আধুনিক সমাজ গঢ়াৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কল্পনা কৰিছিল—

যত্ৰ নাৰ্যস্তু পূজ্যতে ৰম্যন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈ ত্যেস্তন পূজ্যন্তে সৰ্বন্তি জাফলাঃ ক্ৰিয়াঃ।
(মনুস্মৃতি)

যি ঠাইত নাৰীৰ পূজা হয়, সেই ঠাইত দেৱতাই বাস কৰে, য'ত নাৰীৰ অপমান হয়, সেই ঠাইত সকলো ধৰ্ম-কৰ্ম নিষ্ফল হয়।)

গতিকে দেখা যায় যে এখন সমাজৰ উন্নতি, সুস্থতা নিৰ্ভৰ কৰে নাৰীসকলৰ ওপৰত। মহানলোকে কৈ গৈছে, "সমাজৰ আধা অংশক ৰান্ধনি ঘৰত আৱদ্ধ কৰি ৰাখি কোনো সমাজেই উন্নতি কৰিব নোৱাৰে। গতিকে বৰ্তমান সামাজিক উশৃংখলতাৰ সময়ত নাৰীক পূৰ্ণ মৰ্যাদাৰে স্থাপন কৰিলে এই উশৃংখলতা দূৰ কৰাত ইন্ধন যোগাব।

৫৫৫

## বুৰঞ্জী প্ৰখ্যাত শিৱসাগৰ

*শ্ৰীপল্লৱী বড়া*
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

অতীতৰ ৰংপুৰ পৰীয়া গোহাঞি গাওঁ আজিৰ শিৱসাগৰ। বৰ অসমৰ তাহানিৰ ৰংপুৰ অৰ্থাৎ আজিৰ শিৱসাগৰত থকা আহোম যুগৰ স্থাপত্য, ভাস্কৰ্য আৰু পুৰণি কীৰ্ত্তিচিহ্ন লগতে ইয়াৰ সৌন্দৰ্যৰাশিয়ে সকলো মানুহৰে মন পুলকিত কৰি আহিছে।

শিৱসাগৰ বা ৰংপুৰখনেই আহোম স্বৰ্গদেউ সকলৰ কেন্দ্ৰস্থল আছিল। ইয়াৰেই চৰাইদেউ নামৰ ঠাইত প্ৰথমবাৰৰ বাবে স্বৰ্গদেউ চুকাফাই আহোমৰ ৰাজধানী পাতিছিল। অসম বুৰঞ্জীৰ মতে মেটেকাত (ৰংপুৰৰ পুৰনি নাম) অৰ্থাৎ ৰূপহী পথাৰত ৰুদ্ৰসিংহই ১৫-১৬ হতীয়া শালকাঠিৰ খুটাৰে সজোৱা চাংঘৰত উঠি বহৰি শেনৰ মেল কৰি, চাই আনন্দ পাইছিল। তেতিয়াই তেওঁ ইয়াৰ নাম থ'লে 'ৰংপুৰ'।

ৰংপুৰ নগৰৰ উত্তৰৰ সীমাত দিখৌ নৈ, দক্ষিণত নামদাং নৈ, পূৱত বাইঁগড় আৰু পশ্চিমত দিখৌ আৰু নামদাং নৈ লগলগা খণ্ড। ১৯৩৮ চনত বৃটিছ চাহাব লেফটেনেণ্ট ব্ৰতিয়ে শিৱসাগৰ পুখুৰী পাৰলৈ স্থানান্তৰ কৰে আৰু তেতিয়াৰ পৰা ৰংপুৰ নাম গুচি 'শিৱসাগৰ' হয়।

ছশ বছৰীয়া আহোম ৰাজত্বকালত সমগ্ৰ অসমৰ ভিতৰত কেৱল শিৱসাগৰতেই স্বৰ্গদেউসকলে ৫০তকৈ অধিক দ'ল আৰু ৩০০তকৈও অধিক সৰু বৰ পুখুৰী খন্দাইছিল।

স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰূপহী পথাৰত যি চাংঘৰত জন্তুৰ যুঁজ চাইছিল, সেইঠাইতে পিছত স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত দুমহলীয়াকৈ পকীকৈ বৰ্তমান আমি দেখা ৰং ঘৰটো সজাইছিল। ৰংঘৰৰ সন্মুখত বৰ্তমান নিৰ্মাণ কৰা উদ্যানখনে ইয়াৰ সৌন্দৰ্য অতিকৈ চৰাইছে। আহোমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ কলা-নিদৰ্শন বহন কৰিছে তলাতল ঘৰে। স্বৰ্গদেউ ৰুদ্ৰসিংহই নিৰ্মাণ কৰোৱা সাতখলপীয়া তলাতল ঘৰটোক মাটিৰ তলৰ খলপাক তলাতল আৰু ওপৰৰ খলপাক কাৰেং বুলিছিল। তলাতল ঘৰৰ পৰা দুটা সুৰংগ ওলাইছে ; এটা গড়গাৰৰ কাৰেঙৰ লগত আৰু আনটো দিখৌ নদীৰ লগত সংযোগ আছিল। জয়সাগৰৰ পুখুৰীটো ৰুদ্ৰসিংহই তেওঁৰ মাতৃ জয়মতীৰ স্মৃতি ৰক্ষাৰ্থে ১৬৯৭ খ্ৰীঃত জেৰেঙা পথাৰত ১১৭ পুৰা ১বিঘা ১লোচা মাটিত খন্দাইছিল। এই পুখুৰীটো এতিয়াৰ ভিতৰতে মানুহে খান্দি উলিওৱা ডাঙৰ পুখুৰী। ইয়াৰ পশ্চিমত আছে ঘনশ্যাম মন্দিৰ।

শিৱসাগৰ নগৰৰ মাজভাগত থকা শিৱদ'ল আৰু বৰপুখুৰী পৃথিৱী বিখ্যাত ১৭৩৪ খ্ৰীঃত ৰাণী অম্বিকা দেৱীয়ে ১২৯এক মাটিত শিৱসাগৰ পুখুৰীটো খন্দাইছিল। ইয়াৰ পাৰতে বিষ্ণুদ'ল, শিৱদ'ল, দেৱীদ'ল নামেৰে তিনিটা দ'ল নিৰ্ম্মাণ কৰাইছিল। শিৱদ'লটো ১০৪ফুট ওখ আৰু ১৯৯৫ ফুট পৰিধিৰ। ই ভাৰতৰ ভিতৰত সৰ্বাতকৈ ওখ শিৱমন্দিৰ। মন্দিৰৰ কলচিটো সোণেৰে নিৰ্মিত। বৰ্তমান শিৱসাগৰ পুখুৰীৰ পাৰত থকা 'টাই যাদুঘৰ'ত দুশ বছৰীয়া আহোম ৰাজত্ব কালৰ স্মৃতি জড়িত ১৯৪ বিধ আপুৰুগীয়া সম্পদ ভৰপুৰ হৈ আছে।


গড়গাৱতো এটা সাতমহলীয়া কাৰেংৰ আছে। এই কাৰংৰে একেবাৰে ওপৰৰ মহলাত চন্তৰীৰ ব্যৱস্থা আছিল গড় গাৱঁৰ ওচৰতে চৰাইদেই এই চৰাইদেউতে ৪২জন ৰজা সমাধিস্থ হৈছিল। বৰ্তমান ইয়াক অতি সুন্দৰকৈ সজাই তোলা হ'ল।

শিৱসাগৰৰ পৰা ১২ কিঃমিঃ পশ্চিমত অৱস্থিত গৌৰীসাগৰ। এই গৌৰীসাগৰতো ১৭৩২ খ্ৰীঃত বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ১৫০ এককৰ মাটিত এটা পুখুৰী খন্দাইছিল। যাক গৌৰীসাগৰ বৰ পুখুৰী বোলা হয়। এই পুখুৰীৰ পাৰতো শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল নামেৰে তিনিটা দ'ল আছে। ৰুদ্ৰসিংহই সজোৱা নামদাং নৈৰ ওপৰত থকা শিলৰসাঁকোৱে আজিও অতীত স্মৃতি বহন কৰি আছে।

মুঠতে আহোমসকলে পাতি থৈ যোৱা ৰংপুৰ নগৰৰ বৰ্ণনা লিখনিৰ মাজত আবদ্ধ কৰিব নোৱাৰি। মোগলৰ লালকিল্লা, তাজমহল আদিৰ দৰে আহোমৰ কাৰেংঘৰ, তলাতল ঘৰ সংৰক্ষণত চৰকাৰে সমানে চকু দিব লাগে। এই কীৰ্তিচিহ্নসমূহৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলি অসমৰ গৌৰৱ অটুট ৰাখি বিদেশী মুদ্ৰাও অৰ্জন কৰিব পাৰি।

আমি সকলোটিয়ে এই সম্পদবোৰ সংৰক্ষণত চৰকাৰৰ লগত হাত মিলাই আহোম স্বৰ্গদেউসকললৈ হাজাৰবাৰ ধন্যবাদ জনাওঁ আহক।

৫৫৫



## "সংস্কৃতিৰ এখনি কিৰণ"

*— মিতালী লহকৰ*
স্নাতক প্ৰথম বৰ্ষ

প্ৰতিটো গোষ্ঠী-জনগোষ্ঠীৰে এক নিজস্ব সুকীয়া সংস্কৃতি আছে। এটা জাতিৰ সংস্কৃতিৰ সাঁকোডাল অগ্ৰজৰ পৰা অনুজলৈ পৰম্পৰাগত ভাৱে চলি আহিছে। সভ্যতাৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো কিছু সলনি হোৱা দেখা গৈছে, যদিও প্ৰতিটো জাতি তথা জনগোষ্ঠীয়ে নিজৰ ঐতিহ্য আৰু পৰম্পৰা অটুত ৰাখি আহিছে, সংস্কৃতিৰ পৰিসৰ অত্যন্ত বহল। সংস্কৃতিৰ ভিতৰত ৰীতি-বিৰাজ, উৎসৱ-পাৰ্বন, ধৰ্মীয়-আচাৰ-ব্যৱহাৰ ইত্যাদি বহু দিশেই অন্তভূৰ্ক্ত হৈ থাকে, জাতি বিশেষে কেনেদৰে সুকীয়াকৈ সংস্কৃতি গঢ় লৈ উঠিছে সেয়া সঠিককৈ জনা টান, এটা সংস্কৃতিৰ প্ৰকাশ-ভংগী, কাৰ্য-কলাপ, নীতি-নিয়মে এটা জাতিক প্ৰতিফলিত কৰে, সম্ভৱতঃ সংস্কৃতি এটা ঘাইকৈ কৰ্ম্মপদ্ধতিৰ পৰা জন্ম লৈছে, এজন মানুহ জন্মৰ পৰা মৃত্যু পৰ্যন্ত সংস্কৃতিৰ ভিতৰত আবদ্ধ হৈ থাকে। মোৰ সুক্ষ্ম জ্ঞানৰ আধাৰত যি সামান্য অসমীয়া সংস্কৃতিৰ বিষয়ে আভাস পাইছো তাৰেই অলপ ৰেঙণি দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

অসমীয়া সংস্কৃতি বাৰেবৰণীয়া আৰু বৈশিষ্টপূৰ্ণ। 'অসমত এটা নিৰ্দিষ্ট ভাষিক গোষ্ঠী নাই। বিভিন্ন সময়ত বিভিন্ন গোষ্ঠীৰ লোক অসমত থিতাপি লৈ নিজৰ কৃষ্টি-সংস্কৃতি প্ৰচাৰ কৰে। এইদৰে বিভিন্ন গোষ্ঠীৰ লোকে এটাই আনটোৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হয় আৰু ৰীতি-নীতি আৰু ব্যৱহাৰ কিছুমান গ্ৰহণ কৰিলে। এয়াই আছিল সমন্বয় প্ৰক্ৰিয়া। ইয়াৰ পিছৰ পৰাই সকলোৱে নিজ নিজ ধৰ্ম আচৰণ গ্ৰহণ কৰি নিজ নিজ সংস্কৃতি ৰক্ষা কৰিবলৈ ল'লে।

অসমীয়া সংস্কৃতি বুলিলে প্ৰথমে মনলৈ আহে ঢোল-পেঁপাঁৰ মাত, বাঁহী-টোকাৰীৰ মন মতলিয়া সুৰ, ৰভাঘৰ বিয়া নামেৰে প্ৰতিধ্বনি হৈ থকা সুৰ, আয়তিৰ উৰুলি, ইয়াৰ উপৰিও নামঘৰ বোৰত দেখিবলৈ পোৱা যায় শংকৰ-মাধৱে প্ৰৱৰ্তন কৰা কৃষ্ণ ভক্তিৰ আৰাধনা, জাতীয় জীৱনৰ প্ৰতিটো ক্ষণৰ অৰ্থ উপলব্ধি কৰিব পাৰি বিহুনামবোৰৰ মাজেদি। বিহু বুলিলে সকলো বয়সৰ লোকৰ মনলৈ আহে অভুতপূৰ্ব আনন্দ। বিহু তিনিটা য'ত নিহিত হৈ থাকে প্ৰকৃতি আৰু কৃষি। বহাগ বিহুত প্ৰকৃতিয়ে নৱৰূপ লোৱা লগতে মানুহৰ মনলৈ পবিত্ৰতা আৰু শ্ৰদ্ধা বিৰাজ কৰে। গামোছা এখনেৰে ইজনে-সিজনক অন্তৰৰ শুভেচ্ছা জ্ঞাপন কৰে। বিহু হিচাপে কাতি মাহত লক্ষ্মী আইক ধুপ-চাকি জ্বলাই কৃষ্ণ ৰাইজে আমন্ত্ৰন জনায়। মাঘ বিহুত পথাৰৰ শস্যক লক্ষ্মী ৰূপেৰে আদৰি অনা হয়। এই বিহুতে সকলোৱেমিলি তৃপ্তিৰে এসাজ ভোজ-ভাত খায়। সৰুৱে ডাঙৰক জনায় মান্য ভাৱেৰে সেৱা।

অসমীয়া সংস্কৃতি চহকী কৰি থৈ যোৱা আজান ফকিৰৰ 'জিকিৰ' গীত সমূহত পোৱা যায় স্বকীয় সত্তা যিবোৰ শুনিলে মন-প্ৰাণ উঠলি উঠে। বৰপেটাৰ দৌল উৎসৱে মন ৰাঙলী কৰা প্ৰভাৱ সকলো ঠাইতে পৰে। অসমত সিঁচৰতি হৈ থকা সত্তাবোৰে মন গৌৰৱান্বিত কৰে। সত্ৰীয়া নৃত্যৰ ছন্দে ছন্দে বিশ্ববাসী মোহিত হৈ আহিছে। আন এক প্ৰকাৰৰ নৃত্য হ'ল বিহু নৃত্য যাৰ তালে তালে প্ৰতিজনৰে দেহ-মন নাচি উঠে।

অসমীয়া গীত-মাতবোৰত পোৱা যায় বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি। লোকগীত সমূহত পোৱা যায় শ্ৰুতিমধুৰ সুৰ আৰু বৰগীতত পোৱা যায় ঈশ্বৰ ভক্তিৰ গৰিমা-মহিমা, নাটক ভাওনায়ো অসমীয়া সংস্কৃতিৰ ভেটি ওখ কৰিছে। সুখ-দুখ আৰু আনন্দ প্ৰাপ্তিৰ ভাষা নাটক আৰু ভাওনাত সুন্দৰ ৰূপেৰে প্ৰতিফলিত হৈ আহিছে, আনুষ্ঠানিক উৎসৱৰ মাজেৰেই সংস্কৃতিৰ পৰম্পৰা ৰক্ষা হৈ আহিছে। আৱহমান কালৰ পৰা চলি অহা অসমীয়া সংস্কৃতি উজ্বল ৰূপেৰে ৰোৱনী গতিৰে চিৰকাল গতি কৰি থাকক তাৰেই কামনা।

ꣳꣳꣳ

## কাৰেঙৰ লিগিৰীত 'শেৱালি'

*— অপৰাজিতা গগৈ*
স্নাতক তৃতীয় বৰ্ষ

*"চিৰ সুন্দৰ কবি চিৰ আৰধনা*
*মানুহৰ বুকুলৈ*
*মানুহৰ মনলৈ*
*মানুহৰ সৃষ্টিলৈ*
*চিৰ সুন্দৰ নমাওঁ।"*

ৰূপান্তৰৰ স্বপ্ন দেখা জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্পী জীৱনৰ আদৰ্শই আছিল চিৰ সুন্দৰক পূজা কৰা। ১৯২৬ চনৰ ২২-২৩ বছৰ জ্যোতিপ্ৰসাদে পাশ্চাত্যৰ বুকুত 'কাৰেঙৰ লিগিৰী'ক ধৰা পেলায়। কিন্তু বিদেশী ৰহনৰ পৰিৱৰ্তে ইয়াত অসমৰ সামন্ত্ৰতান্ত্ৰিক সমাজখনৰ চিত্ৰহে দেখিবলৈ পোৱা যায়। কাহিনীৰ বলিষ্ঠতা, সংলাপৰ উজ্জ্বলতা, চৰিত্ৰ সৃষ্টিৰ সাৰ্থকতা কলা-কৌশল আৰু মৌলিক চিন্তা-ধাৰাৰ সুস্পষ্ট প্ৰকাশ কাৰেঙৰ লিগিৰীত প্ৰতিফলিত হৈছে। এই কাহিনীটোৰ মাজেৰে এক প্ৰতীকী অৰ্থও প্ৰবাহিত হৈ আছে— নতুন আৰু পুৰণি ধাৰণাৰ মাজৰ, সুন্দৰ আৰু অসুন্দৰৰ মাজৰ দ্বন্দ।

আগৰৱালাদেৱৰ 'কাৰেঙৰ লিগিৰী'ত চৰিত্ৰ আৰু সংলাপৰ মনিকাঞ্চন সংযোগ ঘটিছে। অসমীয়া নাট্য সাহিত্যত তেওঁক এক বিশেষ দৃষ্টিৰে চোৱাৰ মূলতে হ'ল তেওঁৰ নাটৰ চৰিত্ৰাংকন। ইয়াত চৰিত্ৰসমূহৰ দ্বিধা-দন্দ, অভিমান, ৰাগ-বিৰাগ আদি পৰস্পৰ বিপৰীতধৰ্মী গুণে নাটখনৰ আকৰ্ষণ বৃদ্ধি কৰিছে।

নাটখনৰ স্ত্ৰী চৰিত্ৰকেইটিৰ ভিতৰত শেৱালিয়েই প্ৰধান নায়িকাৰ স্থান লাভ কৰিছে। শেৱালিৰ চৰিত্ৰটো এটা সুন্দৰ ৰোমান্টিক চৰিত্ৰ। শেৱালি সাধাৰণ প্ৰজাৰ আকাংক্ষাহীন প্ৰেমৰ প্ৰতিনিধি। যৌৱনা সুন্দৰী শেৱালি লিগিৰী। কাৰেঙৰ লিগিৰী শেৱালিয়ে মনে মনে সুন্দৰ কোঁৱৰক ভাল পায় সচাঁ, কিন্তু সেই ভালপোৱাৰ প্ৰতিদান তাই নিবিচাৰে। তাই কোঁৱৰক আলপৈচান ধৰি, তেওঁৰ সান্নিধ্য লাভ কৰি জীৱন ধন্য কৰাৰ সপোন ৰচিছে। কোঁৱৰো যন্ত্ৰচালিত মানুহৰ দৰে

তাইৰ কাষ চাপি যায় আৰু তাই আল-পৈচান ধৰিলে তেওঁ আনন্দ পায়। কিন্তু সমাজৰ অসাম্য শাসনে লিগিৰীৰ ভালপোৱাৰ স্বাৰ্থ বিচাৰে, স্বাৰ্থশূণ্য প্ৰেম মূল্যহীন। দাস নিৰ্যাতনৰ এক সুন্দৰ উদাহৰণ।

অৱদমিত জনগণৰ প্ৰতিনিধি শেৱালিৰ চৰিত্ৰৰ বৈশিষ্ট্য যেন দুখৰ সন্মুখত অসীম সহিষ্ণুতা আৰু নম্ৰতা। অহংবোধ নথকা বাবে শেৱালিয়ে নিজৰ অন্তৰৰ আবেগ শুদ্ধকৈ উপলব্ধি কৰিছে আৰু নিজকে তাত সঁপি দিব পাৰিছে। প্ৰেমৰ চৰম মূল্য দিবলৈ সাজু শেৱালিয়ে সুন্দৰকোঁৱৰৰ আত্মপ্ৰতাৰণাৰ প্ৰাচীৰ বিধ্বস্ত কৰি সামন্তবাদৰ শেষ দুৰ্গ জয় কৰিছে।

শেৱালিয়ে কোঁৱৰক প্ৰাণভৰি ভাল পায়। কিন্তু বাস্তৱত ই সম্ভৱ নহয়। "সোণৰ পালেঙতে অ" মনে তৰা....।" গীতটোৰ মাজত তাইৰ অব্যক্ত বেদনা ফুটি উঠিছে। আকৌ সুন্দৰ কোঁৱৰক পোৱাৰ আকাশলংঘী সপোনৰ অস্বাভাবিকতা বুজি শেৱালিয়ে কোৱা সংলাপটোৱে (..... তুমি মোলৈ নীলা আকাশত পূৰ্ণিমাৰ জোন..... নীলাবোৰ যিমান দূৰলৈকে গৈ আছে সিমানে সিমানে। সময়ৰ পৰিসীমা অতিক্ৰম কৰি চিৰদিন প্ৰেমিক প্ৰেমিকাক চুই যাব।

Mortan Lecee য়ে অফেলিয়া সম্পৰ্কে কোৱাৰ দৰে শেৱালিৰ সম্পৰ্কেও ক'ব পাৰি— She is a maidan innocent as innocence.... yet very women of very woman." শেৱালিয়ে সুন্দৰৰ সৈতে এটা মানসিক ব্যৱধান ৰাখিছে। কিন্তু তাই কোঁৱৰক ভাল পায়।

তাই জানে যে তাইৰ এই ভালপোৱা সামৰ্থৰ বাহিৰত তথাপিও অজানিতে নিঃস্বাৰ্থভাৱে তাই ভাল পায়। ইয়াৰ বাবে তাই ৰেৱতী, সেউজী আদি দাসীৰ পৰা অনেক কথা শুনিছে আকৌ কোঁৱৰৰ অজ্ঞাতে ৰাজমাৱে তাইক নিৰ্বাসন দি চাওদাঙৰ হতুৱাই নগাপাহাৰলৈ পঠাই দিছিল। তথাপিতো তাই কোঁৱৰক পাহৰিব পৰা নাছিল।

নাটৰ তৃতীয় অংকত শেৱালিয়ে কোৱঁৰক এই ভালপোৱাৰ স্বীকাৰোক্তি দিছে।

সুন্দৰ ঃ শেৱালি, তই মোক ভাল পাৱনে?

শেৱালি ঃ পাওঁ, কোঁৱৰ।

সুন্দৰ ঃ (উগ্ৰ হৈ) মোক ভাল পাৱ?

শেৱালি ঃ (ভয় খায় নমতা হয়।)

সুন্দৰ ঃ কিয়? কিয় ভাল পাৱ?

শেৱালি ঃ এনেয়ে ভাল পাওঁ।

শেৱালিৰ সৰল মনৰ 'এনেয়ে ভালপোৱা'ৰ গভীৰতা তাইৰ আত্মবলিদানৰ মাজেদি যিদিনাই মূৰ্ত্ত হৈ উঠিছে সেইদিনাই কোঁৱৰে অন্ধ আবেগৰ স্তৰৰপৰা বাস্তৱলৈ ওলাই আহিছে, "বুজা নাছিলো বন্ধু, বুজা নাছিলো। বুজালি শেৱালি মোক বুজালি। জীৱনেৰে বুজালি, মৰনেৰে বুজালি, মোৰ জীৱন যজ্ঞত তোৰ জীৱন আহুতি দিলি। তিৰোতাৰ অন্তৰৰ গুপুত সৌন্দৰ্যৰ নিৰ্জন খনি পোহৰাই জ্বলি থকা তিৰোতাৰ হিয়াতো শুভ্ৰ ভালপোৱাৰ সম্ভেদ কৈ গ'লি।"

শেৱালিৰ মৃত্যুৰ আগমূহুৰ্ত্তলৈকে কোঁৱৰে শেৱালিৰ প্ৰেমক কোনো মূল্য দিয়া নাছিল। কিন্তু তাইৰ মৃত্যুৱে কোঁৱৰৰ মনৰ পৰিবৰ্তন ঘটালে। নাৰী বিদ্বেষী কোঁৱৰে নাৰীৰ প্ৰেমৰ উচিত মৰ্যাদা প্ৰদান কৰি তেওঁৰ অৱচেতন মনত লুকাই থকা শেৱালিৰ প্ৰতি ভালপোৱা হৃদয় উজাৰি প্ৰকাশ্য কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। শেৱালিৰ মৃত্যুৰ মাজেদি সুন্দৰকোঁৱৰৰ জীৱন শূণ্য হ'লেও পৰোক্ষভাৱে প্ৰেমৰ জয়েই ঘোষণা কৰা হৈছে।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই শেৱালিৰ এনেদৰে অংকিত কৰিছে, "শেৱালি ফুলৰ দৰেই শুভ্ৰ কোমল আৰু সৌৰভযুক্ত। গছকত পৰা অনাদৃত শেৱালি পাহিৰ দৰেই তাই কাৰেঙৰ সামান্য লিগিৰী। ক্ষন্তেকৰ কাৰণে সৌৰভ বিলাই নিজে নিজেই সৰি মৰহি যোৱা ফুলপাহিৰ দৰেই শেৱালি লিগিৰীয়েও সুন্দৰ কোঁৱৰক সৌৰভ বিলাই, তিৰোতাৰ শুভ্ৰ ভালপোৱাৰ সম্ভেদ কোঁৱৰক দান কৰি প্ৰেমৰ বেদীত আত্মহুতি দিলে।"

আন এটি নাৰী চৰিত্ৰ কাঞ্চনকুঁৱৰী গম্ভীৰ, সংযমী আৰু তীক্ষ্ণবুদ্ধিসম্পনা আনহাতে শেৱালি আভিজাত্যহীনা লেহুকা আৰু ভাৱপ্ৰৱন। যুক্তিতকৈ হৃদয়ৰ প্ৰবণতা প্ৰাধান্য শেৱালিৰ চৰিত্ৰত দেখা যায়।

শ্যেক্সপীয়েৰে নাটকত নায়কক যিমান প্ৰাধান্য দিয়ে নায়িকাক তিমান নিদিয়ে। 'কাৰেঙৰ লিৰিৰী'তো সেয়ে হৈছে। ইয়াৰ নায়িকা শেৱালি যদিও নাটকত শেৱালিৰ প্ৰাধান্য কম।

শেষত শেৱালিৰ মৃত্যুৱে যেনেকৈ ব্যৰ্থ প্ৰেমৰ সুন্দৰ কাহিনী প্ৰতিষ্ঠা কৰিছে তেনেকৈয়ে সুন্দৰ কোঁৱৰৰ যোগেদি চৰিত্ৰৰ গতিশীল অৰ্ন্তদ্বন্দ, শ্ৰেণী বৈশিষ্ট্য আৰু এক বিপ্লৱী সত্তাৰ প্ৰকাশ ঘটাইছে। 'লভিতা'ৰ যোগেদি যেনেকৈ দেশপ্ৰেম আৰু ত্যাগৰ আদৰ্শ দেখুৱাইছে সেইদৰে 'কাৰেঙৰ লিগিৰী'ত শেৱালিৰ সহজ-সৰল জীৱন আৰু ত্যাগৰ আদৰ্শৰ পৰিস্ফুৰণ ঘটাইছে। সমাজৰ কল্যাণবোধৰ নৈতিকতা নিয়ন্ত্ৰিত সন্মতিসাপেক্ষে আধিপত্যত বশ্যতা স্বীকাৰ কৰি স্বেচ্ছামৃত্যুক আকোঁৱালি লৈছে শেৱালি চৰিত্ৰটিয়ে।

*(সহায় লৈ)*

ঔঔঔ

## ভঙা গিলাছৰ দাম

— *ডলিতা কলিতা*

স্নাতক, ২য় বৰ্ষ, অসমীয়া বিভাগ

এক তীব্ৰ খঙে তাক বাৰুকৈয়ে বেঢ়ি ধৰিলেহি জীৱনত। আজি সি প্ৰথমবাৰৰ বাবে টেনছনত ভুগিছে। আৰে! কি বেয়া সি? মডাৰ্ন ষ্টাইলৰ সি। দুনিয়াই জানে। বাপেকৰ অগাধ সম্পত্তিৰ মালিকতো সিয়ে হ'ব। গুৱাহাটী হেন চহৰত মাটি, গাড়ী, টকা-পইছা সকলো আছে। লাগ বুলিয়েই সি সকলো লব পাৰে। আৰে, এয়াইতো লাইফ! খোৱা, পিয়া, স্ফুৰ্তি কৰা। কেইজনে চলিব পাৰিছে তাৰ নিচিনাকৈ? কি কৰিব নোৱাৰে সি? হোটেলত বাৰত, ৰেষ্টুৰেণ্টত

বিনা পইছাই খাব পাৰে। গুণ্ডামি কৰিলেওতো সি জেলত থাকিব নালাগে। পুলিচৰ ঢুলাই খাব নালাগে। বাপেকৰ হাত দীঘল। তাক দেখিলেই বহুতে পলায়। আৰে, ভয় নকৰিব কিয়? প্ৰমাণ দি থৈছে সি, তিনি-চাৰিটাক ঘাইল কৰি। আৰু আজি তাৰ নিচিনা ল'ৰাটোক মনালীয়ে কি ক'লে? নিজকে সুধি লবা, তুমি কি? তোমাৰ অলপ কিবা-কিবি আছে সঁচা, কিন্তু মোৰ বাবে বহুত কিবা-কিবিয়ে নাই। কথাবোৰ মদ নোখোৱাকৈ ভাবি চাবা।' হুঃ মুখেৰে বিৰবিৰাই সি আৰু এপেগ বনাই, গিলিলে। ইচ্ছা কৰিলে সি গোটেই চহৰৰ ছোৱালীবোৰ গোটাই আনিব পাৰে। কিন্তু নালাগে তাক। এই মনালীজনীক তাৰ ভাল লাগিছিল। সেয়েহে সি প্ৰথম বাৰৰ বাবে ছোৱালী এজনীৰ সন্মুখত কৈ উঠিছিল— "মনালী মই তোমাক ভাল পাওঁ।" সঁচাকথা সিসেইদিনাও মদ খাইছিল, কিন্তু তাই যেনেকৈহে আঁতৰি গ'ল, যেন সি কোনোৱে নোখোৱা খাদ্যহে খাইছে।

"মনালী তোৰ নছিব ভাল। মোৰ নিচিনা এজন ল'ৰা আৰু ক'ত পাবি? চব ভিক্ষাৰীৰ জাত। কি লাগে তোক? সকলো পাবি। ৰাণীৰ দৰে ৰাখিম। কিন্তু তই নিজৰ কপাল নিজে খালি। মোক জোকাই ললি। ইচ্ছা কৰিলে আজিয়ে তোক আনিব পাৰো। নানো, চাই লম তোক। কিমান দিন এনেদৰে থাক? নিজে আহি এদিন ভৰিত পৰিবিহি।" মুখেৰে বকি সি বাৰৰ পৰা ওলাই আহিল।

ভৰ দুপৰীয়া। ব্যস্ত মহানগৰী, কাৰো যেন ৰবলৈ সময় নাই। ফুটপাথেৰে ঢলং-পলংকৈ গৈ আছে সি। এনেয়ে সি বাৰত দিনতে নোসোমাই আজি মনালীৰ টেনছনে তাক দুপৰীয়াতে আনিলে।

"ৰিকিদা, তুমি এনেকৈ?"

আৰে! এয়া দেখোন মনালী? তাৰমানে সি হেন্দিক কলেজ পালেহি। ছেঃ মনালীয়ে মোক বাৰু এনেকৈ দেখি বান্ধবীবোৰৰ আগত লাজ পোৱা নাইনে? ধেৎ, সিহে মদ খাইছে, মনালীয়ে আকৌ কিয় লাজ পাব? সকলোৱেইতো চিনি পায় এয়া ৰিকি গুণ্ডা। মনালীয়েও জানে। ইয়াতো একো নতুনত্ব নাই।

হাতত ধৰি তাক মনালীয়ে গাড়ীত বহুৱাই দিলে "ড্ৰাইভাৰ এওঁক ঘৰত থৈ আঁহা।" আৰে, মনালীয়ে তাৰ মানে মোৰ প্ৰতি......!

ক্ৰেছকৈ গাড়ীখন তিনিমহলীয়া ঘৰটোত ৰ'ল'হি। সি গেটখন খুলি ভিতৰলৈ গ'ল। কিয় বাৰু মনালীৰ সন্মুখীন হ'লেই তাক এক তীব্ৰ অপৰাধীবোধে বেৰি ধৰেহি। সি প্ৰথম বাৰৰ বাবে অনুভৱ কৰিলে তাক কাৰোবাৰ মৰমৰ প্ৰয়োজন। সি কাইলৈ মনালীক সকলোবোৰ কথা আকৌ এবাৰ বুজাই চাব। এক সিদ্ধান্তত উপনীত হৈ মনটো পাতল পাতল লাগিল।

পিছদিনা 'চন্দামিতা ৰেষ্টুৰেণ্ট'ত সি মনালীৰ বাবে বৈ থাকিল। সি একাপ চাহ বিচাৰিলে। ভালকৈ কওঁতে কোনেও তাক পাত্তা নিদিলে। টেবুলত এক তীব্ৰ ঘোছা মাৰি দিলে সি। টেবুলৰ ওপৰত থকা আইনাৰ গিলাছ দুটা থান থানকৈ মজিয়াত পৰিলহি। লগে লগে মানুহ এজনে চিএঞৰি উঠিল— "হেই এইফালে মিঠাই আৰু স্পেচিয়েল চাহ দিবিচোন। ৰিকি দাদা আহিছে।"

তাৰ হাঁহি উঠি গ'ল। 'দম হে তো দুনীয়া হে', মনতে ভাবিলে সি। লগে লগে তাৰ বিবেকে কাণে কাণে ক'লে— 'আকৌ গুণ্ডামি কৰিছহি মনালীক নাপাবি।'

চকীখনৰ পৰা উঠি সি কাউণ্টাৰৰ ফালে গ'ল। পকেটৰ পৰা দহটকীয়া নোটখন উলিয়াই সি দি দিলে। মানুহজনে তাৰ মুখলৈ চালে, অজানিতে তাৰ মুখৰ পৰা ওলাই গ'ল— "ভঙা গিলাছৰ দাম।" হঠাৎ কাৰোবাৰ মাতত সি ঘুৰি চালে। সৌৱা মনালী বৈ আছে.....

ꣳꣳꣳ

## যি মোৰ একান্তই অনুভৱ

— *সংগীতা ৰাজখোৱা*
স্নাতক তৃতীয় বৰ্ষ

খিৰিকীখন খুলি একান্ত ভাৱে জোনটোলৈ চাই আছে তাই। সন্মুখৰ ৰাস্তাটোৰ সিটো পাৰে থকা খাজুৰি জোপাৰ মাজেদি যেন তাইকে উপলুঙা কৰি আছে জোনটোৱে। এক নিথৰভাৱে পৰি আছে তাই আৰু খাজুৰি জোপাৰ মাজৰ ৰাস্তাটো। জনশূন্য। ৰাতি এই এক বজাত আহিবই বা কোন? হঠাৎ এখন গাড়ী পাৰ হৈ গ'ল। এই ৰাতিও মানুহবোৰ ইমান ব্যস্তনে? কোনেও কাৰোলৈ চাবলে, এষাৰ মাত দিবলে সময়। যান্ত্ৰিক সমাজৰ, যান্ত্ৰিক সমাজৰ মানৰ হিচাপে নিজকে একাকাৰ কৰি দিছে সকলোৱে। ভাবিলে তাই।

এজাক-চেঁচা বতাহ সোমাই আহিল খিৰিকীখনেৰে। তাই বাস্তৱলৈ ঘূৰি আহিল তাই অনুমান কৰিলে, তাই দুগালৰ চকুপানী। সঁচাকৈ তাই কান্দিছে নেকি? হয় তাই কান্দি পেলাইছে। কিন্তু কিয়? নাই, তাই কাকো ক'ব নোৱাৰে। ৰূমমেটকেইজনী ইতিমধ্যে টোপনিত লালকাল দিছে। লাহেকৈ তাই গাৰুটোত মুখখন গুজি দিলে। হুকহুকাই কান্দি উঠিল তাই। ক'ব নোৱাৰে তাই তেনেকৈ কিমান দেৰি থাকিল।

........................

হায়াৰ চেকেণ্ডাৰী ৰিজাল্টৰ পিছতেই সিদ্ধান্ত লৈছিল গুৱাহাটীৰ কোনোবা এখন মহাবিদ্যালয়তেই ডিগ্ৰীটো ল'ব মনামীয়ে। তাৰ উদ্দেশ্যেৰেই শিৱসাগৰ এৰিছিল কোনোবা এদিনা। অ মনত পৰিছে, শেষৰ জুনৰ দিনা। ককায়েক বিশালৰ লগত মনামী আহিছিল গুৱাহাটীলৈ। আগতেও তাই বহুবাৰ আহিছে গুৱাহাটীলৈ। কিন্তু নিৰ্দ্দিষ্ট এটা উদ্দেশ্যলৈ তাইৰ এয়াই গুৱাহাটীৰ মাটিত প্ৰথম ভৰি।

গুৱাহাটীৰ ভাড়াঘৰত মনামীৰ খুড়াকৰ ঘৰ। সম্পূৰ্ণ ১২ ঘণ্টাৰ, এটা ইমান দীঘল জাৰ্ণিৰ বাবে মনামীয়ে বৰ ভাগৰুৱা অনুভৱ কৰিছিল। গৈ পায়ে মুখ-হাত ধুই অলপ শুই ললে মনামী আৰু বিশালে। ২ জুলাই অৰ্থাৎ তাৰ পিছদিনাই তাইৰ এডমিচনৰ দিন। কিন্তু আহি গম পালে তাইৰ ৩ তাৰিখেহে হ'ব। তাই চিট পাম বুলি আগতেই নিশ্চিত আছিল। সময়ত এড্মিচন হৈ গ'ল মনামীৰ। গুৰু বিষয় হিচাপে তাই গৃহ বিজ্ঞান বিষয়টোকে বাচি ললে।

ঃ মনা তোক ইয়াত কিয় এড্‌মিচন দিলো তই হয়তো ভালদৰে জান ঘৰত তাইক মানু বুলি মাতে যদিও, ককায়েক বিশালে মনা বুলিয়ে মাতে। ঘৰৰ একমাত্ৰ ছোৱালী মনামী যথেষ্ট মৰমৰ। ভালদৰে পঢ়িবলৈ ইংগিত দি সুবিধা বুজি কথাষাৰ ক'লে বিশালে।

ঃ জানো বাবু! হাঁহি মাৰি মনাই ক'লে।

তাই ককায়েকক বাবু বুলিয়ে মাতে। অলপ লাগতিয়াল বজাৰ কৰি ককায়েক বিশাল ৩ তাৰিখেই ৰাতিৰ গাড়ীত শিৱসাগৰ অভিমুখে ৰাওনা হ'ল। কিয়নো মনাৰ কলেজ আৰম্ভ হ'ব ১৯ তাৰিখৰ পৰাহে। গতিকে তেতিয়া সি আকৌ আহিব লাগিব। তাই এই ১৫/১৬ দিন খুড়াকৰ ঘৰতে থাকিব লাগিব।

খুড়াকৰ পৰিয়াল বুলিবলে খুড়ীয়েক আৰু দুজনী ছোৱালী মণি আৰু মাইনা। গতিকে থকাত অসুবিধাৰ প্ৰশ্নই নুঠে। ছোৱালী দুজনীয়েও সাংঘাতিক ভাল পায় মনাক। তাতে সিহঁত দুজনীৰ গৰমৰ বন্ধ। একেৰাহেই লাগি থাকে মনাৰ লগতে। দুয়োজনীৰ মাজত কাজিয়াও হয়। আজি মনাৰ লগত কোনজনীয়ে ভাত খাব, কোনজনী ৰাতি শুব আদিবোৰকলৈ। মনাৰো তাক বেয়া নালাগে। তাতে মনালৈ খুড়াক খুড়ীয়েকৰ অপৰিসীম মৰম।

.........................

ঃ বাবু দাদা আহি গ'ল! বাবু দাদা আহি গ'ল।

খুড়াকৰ ছোৱালী মাইনাৰ মাতত তাই ল'ৰালৰিকৈ ওলাই আহিল। নিৰ্দিষ্ট দিনা অৰ্থাৎ ১৮ তাৰিখে পুৱাই পালেহি বিশাল।

ঃ বাবু আহিলি। লাহেকৈ ক'লে মনাই।

ঃ অ' পালোহি' বাচখন অলপ বেয়া হৈছিল সেয়েহে অলপ দেৰি হ'ল।

হঠাতে তাইৰ মনটো অলপ গধুৰ হৈ পৰিল। কাৰণ তাই আজি এটা অচিনাকি হোষ্টেললৈ গুছি যাব। আকৌ আৰম্ভ হ'ব তাইৰ হোষ্টেলীয়া জীৱন। উঃ মাঃ ১ম আৰু ২য় বৰ্ষত তাই হোষ্টেলতে থাকি পঢ়িছিল। আজি তাইৰ মনটো অলপ বেছি বেয়া লাগিল। খুড়াক-খুড়ীয়েক আৰু কণমাণি মনি আৰু মাইনাক এৰি যাব লাগিব বাবে নেকি? হয়তো হয় ছাগে। হ'লেও তো যাবই লাগিব তাই।

আবেলি মনা আৰু বাবু আহিল উজান বজাৰৰ যোৰপুখুৰীৰ পাৰৰ সেই নিৰ্দিষ্ট প্ৰাইভেট হোষ্টেলটোলৈ। আহি মনাৰ ভালেই লাগিল। বান্ধবীবোৰৰ লগত চিনাকি হৈ বাবুক আগবঢ়াই দি আহিলে তাই। তাৰ পিছদিনাই গুছি যাব বিশাল।

.........................

এই কেইদিন মনাৰ অলপো সময় নাই। ৰাতিপুৱা ৯ বজাৰ পৰা কলেজৰ ক্লাচ্। আবেলিলৈকে ক্লাচ্ কৰি আহি, টিফিন খাই অলপ জিৰাই পুনৰ ডিউটি। ডিউটি মানে, গুৱাহাটীলৈ প্ৰথম বাৰৰ বাবে অহা হোষ্টেলৰ বাকী ছোৱালী বিলাকক গুৱাহাটীৰ চাবলগীয়া বস্তুবোৰ দেখুৱাবলৈ নিব লাগে। অনিচ্ছা সত্বেও যাবলগীয়া হয় সিহঁতৰ অনুৰোধ ৰক্ষা কৰি। আহি ভাগৰে-জোগৰে অলপ পঢ়ি ভাত খাই আড্ডা। ৰাতি ১২/১টা বজাত শুই ৰাতিপুৱা ৭ মান বজাত শুই উঠি গা-পা ধুই আকৌ কলেজলৈ যাবলৈ সাজু হ'ব লাগেই। গতিকে আজৰিয়েই নাই। মাজে মাজে বন্ধ পালে খুড়াক-খুড়ীয়েকৰ নিমন্ত্ৰণ ৰক্ষাৰ চেষ্টা। ইমানখিনিলৈকে সকলো ঠিকেই চলি থাকিল।

.........................

ঃ মনা উঠ আকৌ। ৮-৩০ বাজে আৰু।

ৰুমমেট সৃষ্টিৰ মাতত সাৰ পালে মনাই। যোৱা ৰাতি কি হ'ল মনত পেলালে। কিমান দেৰি কান্দিলে বাৰু তাই ২/১ ঘণ্টা...... দুঘণ্টা.... নাই তাইৰ মনত নাই। কিয় বাৰু তেনেকুৱা হ'ল তাইৰ। সঁচাকৈ কাৰোবাক ভাল পাই পেলালে নেকি? তাইৰতো আগতে এনে হোৱা মনত নপৰে কাহানিও।

ঃ মনা তই কলেজলৈ নগলি? কলেজৰ পৰা আনজনী ৰুমমেট স্বপ্নাই সুধিলে।

ঃ নগলো। গাটো ভাল লগা নাই দেখোন অ'। ইচ্ছা কৰিয়ে মিছা মাতিলে মনাই।

.........................

মনাহঁতৰ হোষ্টেলৰ কাষৰ পাৰ্টটোত তিনিটা ৰুম। ভাৰাতীয়া ল'ৰা থাকে। কুনাল আৰু মৃন্ময়। আন এটা ৰুমত থাকে মালিকৰ একমাত্ৰ ল'ৰা অভিনৱ। মনাই হোষ্টেলৰ নৱাগত আদৰণি সভাত মনাই প্ৰথম বাৰৰ বাবে লগ পাইছিল।

ঃ মনা তোৰ গানত কোনোবা এজন বোলে একেবাৰে পাগল হৈ গ'ল অ'। হোষ্টেলৰ পৰীয়ে ক'লে।

হোষ্টেলৰ নৱাগতা আদৰণি সভাত গান-নাচ আদিবোৰত ভাগ লৈছিল মনাই।

ঃ ধেৎ! কোননো অ' সেইজন দুৰ্ভগীয়া? ৰগৰ কৰি সুধিলে মনাই।

ঃ নাই নাই, ভাই! এতিয়াই আকৌ নামটো কিয় কম? অস্বীকাৰ কৰি ক'লে পৰীয়ে।

কিন্তু মনাই লক্ষ্য কৰিলে, লাহে লাহে তাইক 'সেইজন'ৰ লগত সকলোৱে দেখোন জোকাবলৈ আৰম্ভ কৰিছে। কিন্তু তাই দেখোন সেইজনৰ নামটোকে জনা নাই।

ঃ পৰী, প্লিজ ক না কোননো সেইজন। আকোৰগোঁজ ভাবে সুধিলে মনাই। কওঁ নকওঁকৈ পৰীয়ে আজি নামটো উচ্চাৰণ কৰিলে—

ঃ "অভিনৱ"

নামটো শুনাৰ লগে লগে লাজত ৰঙা চিঙা পৰি গ'ল মনা। তাইতো কাহানিও চোৱা নাই তাক সেই দৃষ্টিৰে। হ'লেও তাইৰ হৃদয়ত এক অনামী শিহৰণে জোকাৰ দি গ'ল।

এনেকৈ দিন বাগৰি থাকিল। তায়ো তাক লাহে লাহে চাব ধৰিলে সেই দৃষ্টিৰে। তাই অনুমান কৰিলে কাষৰ মৃন্ময় হঁতেও জোকাব ধৰিছে। হ'লেও তাই অলপো আগ নাবাঢ়িল। আগতকৈ মাথোন অলপ বেছিকৈ ভাল লগা হ'ল।

.........................

ঃ মনা কি খবৰ!

চাদত কাপোৰ মেলিবলৈ যাওতে মৃন্ময়ে সুধিলে মনাক।

ঃ ভাল মৃন্ময়দা।

ঃ বহুত বেছি ভাল ছাগে ন?

ঃ মোটামোটি। কিন্তু তেনেকৈ কিয় সুধিলে।

ঃ নাই এনেয়ে।

ঃ নহয়, কিবা এটা কথা আছে। খোলা খুলিকৈ কওকনা।

ঃ নাই, তুমি আগতে বেয়া নাপাওঁ বুলি কথা দিব লাগিব।

ঃ ওহো, কেতিয়াও বেয়া নাপাওঁ! কওক।

মনাই বহুত দেৰি কথা পাতিলে সেইদিনা মৃন্ময়ৰ লগত। ইতিমধ্যে কুনালো আহি যোগ দিলে সিহঁতৰ কথাত। অভিনৱৰ ব্যক্তিত্বটোৰ বাবেই তাক ভাল লাগে বুলি খোলাকৈ কৈ দিছিল সেইদিনা সিহঁতক।

অভিনৱ ঘৰখনৰ একমাত্ৰ ল'ৰা। বহুত মৰমৰ আৰু ঘৰখনৰ একান্ত বাধ্য সি। মানৱে উপলব্ধি কৰিছিল অভিনৱৰ মাক যথেষ্ট কাঢ়া প্ৰকৃতিৰ। যদি মাকে কথাটো গম পায় মনা আৰু মৃন্ময়হঁতৰ কি হ'ব বাৰু? তাই অভিনৱৰ মাকক বহু ওচৰৰ পৰাই লগ পাইছে। মাকে প্ৰথমে মৃন্ময়হতঁকেই দোষ দিব। কিয়নো অভিনৱ মৃন্ময়হঁতৰ লগত বহুত ভাল। কথাটো ভাবি বহুত দুখ লাগিল মনাৰ।

........................

ঃ সেই হোষ্টেলটো বদলি কৰিম মৃন্ময় দা। পিছদিনা দুপৰীয়া চলচলীয়া চকুৰে কৈছিল মনাই।

ঃ কিয়? কিয় হোষ্টেল বদলি কৰিব লাগে। আচৰিত হ'ল মৃন্ময়।

ঃ যদি অভিনৱৰ মাকে......

আৰু একো ক'ব নোৱাৰিলে মনাই। হুকহুকাই কান্দি দিলে তাই। দৌৰি আহি নিজৰ ৰূমৰ দুৱাৰখন বন্ধ কৰি বহুত সময় কান্দিলে সেইদিনা মনাই। কিয়? কিয় বাৰু তেনেকুৱা হয় মনাৰ জীৱনত।

"মনা তোক ইয়াক কিয় এড্‌মিচন দিলো তই হয়তো ভালকৈ জান?"

ককায়েক বাবুৰ কথাষাৰ বহুবাৰ অহা-যোৱা কৰিলে মনৰ মাজেদি। বাবুহঁতে বাৰু কি কৰি আছে। গম পাইছে নেকি মনাই কান্দি আছে বুলি। কিয় কান্দিছে বাৰু তাই ইমানকৈ? তাই হয়তো আজি কাকো একো ক'ব নোৱাৰে। মানুহৰ থাকে ছাগে কিছুমান কথা, যিবোৰ আনক কেতিয়াও ক'ব নোৱাৰি। যিটো আজি তাইৰ ক্ষেত্ৰত হৈছে। অভিনৱই ভাবিছেনে তাইৰ কথা? তাই মনতে ভাবি যাবলৈ ধৰিলে।

আজিকালি অভিনৱৰ কথা কোনোবাই বেয়াকৈ ক'লে তাইৰ বেয়া লাগে। তাই তাক একপক্ষীয় ভাবে বহুত বেছি ভাল পাই পেলালে। সি হয়তো নাজানে কিমান ভাল পায় তাই। আজিকালি দিনতো এবাৰ তাক নেদেখিলে তাইৰ ভাল নলগা হ'ল। তাই কিন্তু কোনো কথাই তাক কোৱা নাই। সিও কোৱা নাই একো। এনেও বহুত কম কথা কয় অভিনৱই। তাইৰ হয়তো সেয়ে বেছি ভাল লগা হৈছে। প্ৰথমতে বহুত অহংকাৰী বুলি ভবা অভিনৱক তাৰ বিষয়ে সকলো জনাৰ পিছত সেইভাৱ একেবাৰে নাইকিয়া হৈ গ'ল। আগৰ পৰাই 'অ' আখৰে আৰম্ভ নামৰ প্ৰতি অলপ দুৰ্বল মনা। অভিনৱক ভাল লগাৰ কাৰণ হয়তো এটা সেইটো।

........................

সেইদিনা কলেজৰ পৰা খৰখেদাকৈ আহিছিল ৰূমমেট ৰুমি। মুখত তাইৰ অভিমানৰ চাপ স্পষ্ট। ৰুমিয়ে যথেষ্ট ভাল পায় মনাক। মনা আৰু ৰুমিয়ে সকলো কথা খোলাখুলিকৈয়ে পাতে। অভিমান আৰু খং মিহলি মুখখন দেখি আচৰিত হৈছিল মনা। মনাক অধিক আচৰিত কৰি কৈ উঠিছিল ৰুমিয়ে।

ঃ মনা তোৰ অভনৱই বোলে আন কোনোবা এজনীৰ লগত............ হঠাৎ ৰুমি কথাষাৰত মনাৰ মুৰত যেন বজ্ৰপাতহে পৰিল।

ঃ কথাটো সচাঁ মনা। প্ৰথমতে ময়ো বিশ্বাস কৰা নাছিলো।

ঃ তাৰ প্ৰমাণ এয়া চা মনা। মনাৰ চকুৰ আগত একপি ফটো দাঙি ধৰি কৈছিল ৰুমিয়ে।

ৰুমিয়ে আৰু বহুত কিবা কিবি কৈছিল। নাই আৰু একো সোমোৱা নাছিল মনাৰ কাণত। বাকৰুদ্ধ হৈ পৰিছিল মনা। উশাহ বন্ধ হৈ যাব যেন লাগিছিল তাইৰ।

........................

লাহে লাহে গধূলি হৈ আহিল। মনাৰ নিজকেই বহুত দুৰ্বল যেনেই অনুভৱ হ'ল। গোটেই দিনটো বিছনাত পৰি থকাৰ বাবেই কিজানি তাইক বাৰু ভগৱানে এনেকৈ কিয় দুখ দিলে। তাইতো একো অপৰাধ কৰা নাই। অকণমাণ মৰম বিছাৰিছিল কাৰোবাৰ পৰা। তাকো সহ্য নকৰেনে ভগবানে?

আজি তাই সিদ্ধান্ত ল'লে তাই হোষ্টেলটো বদলি নকৰে। তাই, তাই ইমান স্বাৰ্থপৰ হ'ব নোৱাৰে। তাই বাৰু ক'ৰবাত ভুল কৰিলে নেকি? নে বাওনা হৈ চন্দ্ৰলৈ হাত মেলিব বিচাৰিলে? নে কি হৈ গ'ল?

ওচৰৰ নামঘৰটোৰ পৰা 'ডবা' আৰু 'শংখ'ৰ শব্দ ভাঁহি আহিল। লগতে এটি প্ৰাৰ্থনাও। তাইৰ দুগাল চকুপানীবে তেতিয়াও তিতি আছিল। লাহেকৈ বিচনাৰ পৰা নামি বাথৰূমৰ ফালে গ'ল মনা। হাত-ভৰি ধুই তায়ো ধূপ এদাল দানিটোত গুজি দিলে। মনতে ধূপ-ধুনাৰে—

ঃ ভগৱান অভিনৱক সুখী কৰা, তাৰ মনৰ পৰিধিয়ে.....

মনাই খিৰিকীখনেৰে আকাশলৈ চালে। এহাল শালিকা চৰাই উৰি গৈছে বহুত আনন্দত যোৱাৰ দৰে। ভাবি মনটো ভাল লাগি গ'ল মনাৰ।


ঌঌঌ


*দুটা কবিতা—*

## (১)
## কাচ

*— লক্ষী হাজৰিকা*

তুমি সিপাৰে মই ইপাৰে
মাজত এটুকুৰা কাচ
স্বচ্ছ আছিল তোমাৰ দৃষ্টি
অনুৰূপভাৱে মোৰো
আমি পৰস্পৰে জুমি চাইছিলোঁ
হৃদয়ৰ প্ৰতিটো এন্ধাৰ খোটালি
সপোনৰ কুঁৱলি ফালি
জীৱনৰ কঠিন শিলনিত
আমি বুটলিছোঁ জীৱন
আহ! কি মধুৰ সেই বিষাদ
নোপোৱাৰ সুখে আকুল কৰা
তাহানিৰ আন্তৰিক অনুৰাগ
কেতিয়াবা কাচে বৰণ সলায়
ৰঙীণ কাচৰ মাজেৰে সৰকি আহে
মাথোঁ সুখ— মধুৰ সুখ।





## (২)
## শিক্ষক

এটা শব্দ, অ'জন আৱৰণ পাৰ হৈ অহা
বায়ু মণ্ডলত ঢৌ খেলি খেলি
মাটিৰ পৃথিৱীত মিলি যোৱা
প্ৰায়ে আহিবলৈ নিদিয়ে অ'জন আৱৰণে
কৰ্কট ৰোগৰ ভয়, চৰ্মৰোগৰ ভয়
আনকি দিন দুপৰতে পৰুৱাই পোৱাৰ ভয়
মাজতে অ'জন আৱৰণত মেলে ফাট
হোৱা-হোৱে সোমাই আহে শিক্ষকৰ জাত
তুমি জাতত উঠি উঠিবা অজাতত
তুমি গুৱাহাটীত থাকি থাকিবা শদিয়াত
তুমি শদিয়াত থাকি থাকিবা মিজোৰামত
অথবা মণিপুৰত
তুমি শিক্ষক কাৰণ তুমি শিক্ষক।

## অনুভৱ

*— গীতাঞ্জলি কলিতা*
স্নাতক ৩য় বৰ্ষ

এদিন ওলাব মোৰ লগত
আপোনাকো লৈ যাম
খুটি লৈ।
তালৈ অৱশ্যে আপোনালোকো যায়
সৌন্দৰ্য উপভোগ কৰিবলৈ
আৰু আমিবোৰ
আমিবোৰ যাওঁ
নিসংগতাৰ সৈতে
অন্তৰৰ ভাব বিনিময় কৰিবলৈ
কথা পাতিবলৈ
উচুপনিৰ সৈতে
আপুনি সুধিছে....?
আমিবোৰ কোন?
আমিবোৰ হৈছো
নিজকে বিলাই দি
নিজৰ ওচৰতে এন্ধাৰ ৰাখি
আনক পোহৰাই তোলা
একো একোডাল
'মমবাতি'

ꣳꣳꣳ



## তোমাৰ আশাৰে

*— বৰ্ণালী দাস*
স্নাতক ১ম বৰ্ষ

তুমি আহিলে মন ফুলনিত
বহাগ অহা যেন লাগে,
তুমি মাতিলে মোৰ সোণ
আধা মেলা ফুল, ফুলি উঠা যেন লাগে,
তুমি চালে জানানে,
লাজুকী লতাৰ দৰে লাজত জঁয় পৰি যাও যেন লাগে।
তোমাৰ চিনাকি সুবাসত
মোৰ হিয়া দুৰু দুৰুকৈ কঁপে,
তুমিয়ে মোৰ পৰিচয়, তুমিয়ে মোৰ কল্পনা,
উগুল-থুগুল হিয়াৰ পদুলি তুমি আহিবা বুলিয়ে।

ꣳꣳꣳ

## বিষন্ন ৰাতিৰ দুটি স্তৱক

*— মৈত্ৰেয়ী শইকীয়া*
স্নাতক দ্বিতীয় বৰ্ষ

(এক)
কপৌফুলা ৰাতি স্মৃতিৰ এজাক
দোপালপিতা বৰষুণ
বিষাদ বিজুলীৰ চমকণি
কাণ তাল মৰা গাজনিৰ দৰে মাত
নিৰ্মম প্ৰহাৰ কিছুমান নিষিদ্ধ শব্দৰ!!!!

(দুই)
হৃদয় বিষন্ন হ'ব পাৰে
জীৱনো বিষন্ন হ'ব পাৰে
কিন্তু সপোন কেতিয়াও বিষন্ন নহয়
যিদৰে সৰা-শেৱালিয়েও সুবাস দিয়ে
ঠিক সেইদৰে মোৰ বিষন্ন ৰাতিবোৰ
উজ্জ্বলাই ৰাখে সপোনৰ এটি, দুটি
অলেখ সৰু তৰাই.................!


ꣳꣳꣳ

## সঘনাই মোক ৰিঙিয়াই মাতে......

*— বনশ্ৰী দাস*
স্নাতক ২য় বৰ্ষ



সঘনাই মোক ৰিঙিয়াই মাতে,
সেউজী প্ৰকৃতিৰ শ্যামল বুকুৰে
সেউজীয়া হ'বলৈ।
নীলিম আকাশে
তাৰ বিশালতাৰ মাজত সোমাবলৈ,
ফুলি থকা ফুলবোৰে
সিহঁতৰ সৌন্দৰ্যৰ সংজ্ঞা দিবলৈ।
আনমনা, চঞ্চল পখীজাকে
সিহঁতৰ সুৰত সুৰ মিলাই গীত গাবলৈ,
লুইতৰ বালি চ'ৰাই
বালিঘৰ সাজিবলৈ
সঘনাই মোক ৰিঙিয়াই মাতে।
ময়ো আগবাঢ়ি গৈছো, ক্ৰমশঃ
মোৰ ভৰিত কিবা বান্ধোন, হঠাৎ
নূপুৰৰ!



## পৰিৱৰ্তন

*— মায়াশ্ৰী মহন্ত*
স্নাতক ৩য় বৰ্ষ

এদিন তোমাৰ পদুলিত ৰৈ মই
জোনাক চুইছিলো
চৌদিশত আছিল মাথো জোনাক
এনে লাগিছিল যেন
জীৱনটো সদায়ে জোনাকময়
এতিয়া মই যুঁজি আছো আন্ধাৰৰ সতে
আচৰিত কি জানা?
মই এতিয়াও তোমাৰ পদুলিতে

## ধূপদানী

— *গীতাঞ্জলী কলিতা*
স্নাতক ৩য় বৰ্ষ

ধূপডাল থ'ব আপুনি
ধূপদানীটো বিচাৰি নাপালে
মোৰ হিয়াখনিকে লওক
বহুতো ফুটা আছে
যিকোনো এটা ফুটাত ধূপডাল থৈ
আপুনি আপোনাৰ কোঠাটো
সুগন্ধিৰে উপচাই পেলাব পাৰে।





## জীৱন

— *হিমানী শিকদাৰ*
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

জীৱন মানে নো কি?
এই তিনিটা বৰ্ণৰ অৰ্থ বিচাৰি
খাও বহু হাবাথুৰি
কাৰোবাৰ বাবে সুখৰ দলিচা
কাৰোবাৰ বাবে দুখৰ বৰষা
শেষ যে নহয়
লোতক বাগৰি বাগৰি
এই তিনিটা আখৰৰ মায়া
চিনিব নাজানি
অৰ্থ মাথো অৰ্থ
ইমান জটিল কিয়
ভাবি নাপাওঁ বিচাৰি।